# তৰাজান পৰিৱেশ উন্নয়ন সমিতি

## নামেৰী বন্যপ্ৰাণী সংমণ্ডল

## পশ্চিম অসম বন্যপ্ৰাণী মণ্ডল

# ক্ষুদ্ৰ প্ৰকল্প আঁচনি

**(২০১৭-১৮ৰ পৰা ২০২৬-২৭)**

প্ৰস্তুতকৰ্তা ঃ তৰাজান পৰিৱেশ উন্নয়ন সমিতিৰ

সহযোগত

বনাঞ্চল বিভাগ, অসম

আৰু

ক'ম্‌পেল'

(ক্ষুদ্ৰ প্ৰকল্প আঁচনি আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট)

(আই আই ই আৰু আৰ জি ভি এন )

মে'-২০১৭

অনুমোদন

বন সংমণ্ডল বিষয়া,
পশ্চিম অসম বন্য প্ৰাণী সংমণ্ডল
তেজপুৰ, দোলাবাৰী

## সাংকেতিক শব্দ বিন্যাস তালিকা ঃ—

| সাংকেতিক শব্দ | মূল ভাঙনি |
|---|---|
| APFBC | Assam Project on Forest and Bio-diversity Conservation |
| (এ পি এফ বি চি) | (বনাঞ্চল আৰু জৈৱ-বৈচিত্র্য সম্পৰ্কীয় প্ৰকল্প, অসম) |
| AFD | Agency France de Development |
| (এ এফ ডি) | (উন্নয়ন বিষয়ক ফৰাচী সংস্থা) |
| BPL | Bellow Poverty Line |
| (বি পি এল) | (দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ) |
| BTC | Bodoland Territorial Council |
| (বি টি চি) | (বড়োলেণ্ড ক্ষেত্ৰীয় এলেকা পৰিষদ) |
| COMPELO | Consortium for Micro Planning and Enhancing Livelihood Opportunities |
| (ক'মপেল') | (ক্ষুদ্ৰ প্ৰকল্প আঁচনি আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট) |
| EPA | Entry Point Activities |
| (ই পি এ) | (প্ৰাৰম্ভিক কাৰ্যব্যৱস্থাপনা) |
| GIS | Geographical Information System |
| (জি আই এছ) | (ভৌগোলিক তথ্য ব্যৱস্থাপনা) |
| Ha | Hectare |
| (হে) | (হেক্টৰ (মাটিকালি)) |
| IIE | Indian Institute of Entrepreneurship |
| আই আই ই | (ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান) |
| EDC | Eco-Development Committee |
| (ই ডি চি) | (পৰিৱেশ উন্নয়ন কমিটী) |
| Kg | Kilogram |
| (কে জি) | (কিলোগ্ৰাম) |
| Km | Kilometer |
| (কে এম) | (কিলোমিটাৰ) |
| NGO | Non-Governmental Organization |
| (এন জি অ') | (অনা-চৰকাৰী সংস্থা) |
| NTFP | Non Timber Forest Product |
| (এন টি এফ পি) | (গছবিহীন বনজ উৎপাদিত সামগ্ৰী) |
| PDS | Public Distrubution System |
| (পি ডি এছ) | (ৰাজহুৱা বিতৰণ ব্যৱস্থা) |
| PRA | Participatory Rural Appraisal |
| (পি আৰ এ) | (গ্ৰামীণ অংশগ্ৰহণকাৰীৰে যোগাযোগ) |
| Rs. | Indian Rupee |
| (আৰ এছ) | (ভাৰতীয় মুদ্ৰা) |
| SHG | Self Help Group |
| (এছ এইচ জি) | (আত্মসহায়ক গোট) |
| VCDC | Village Council Development Committee |
| (ভি চি ডি চি) | (গ্ৰাম পৰিষদ উন্নয়ন সমিতি) |

# তৰাজান পৰিৱেশ উন্নয়ন সমিতি

## ক্ষেত্ৰ সঞ্চালক, ১০ বছৰীয়া ক্ষুদ্ৰ প্ৰকল্প আঁচনি

### জীৱিকা বিকাশ পৰিকল্পনা

# সূচীপত্ৰ


(১) পাতনি ঃ ..................................................... ৪

(২) গ্ৰামীণ আৰ্থ-সামাজিক আকৃতি......................... ৫

(৩) জীৱন ধাৰণ ব্যৱস্থাপনাৰ বিশ্লেষণ................. ৯

(৪) ই ডি চিত জীৱিকাৰ সমীক্ষা............................ ১৩

(৫) অতিৰিক্ত সূচী ............................................ ১৫-৪০

## (১) পাতনি

**পৰিকল্পনাৰ বিষয়** ঃ বন আৰু জৈৱিক সংৰক্ষণৰ অসম পৰিকল্পনাৰ মুখ্য লক্ষ্য হ'ল কিছু লক্ষ্যস্থানত বন বিভাগৰ সহযোগিতা আৰু বিভিন্ন ধৰণৰ বহুমুখী পৰিকল্পনাৰ জৰিয়তে গ্ৰহণযোগ্য বনজ আৰু জৈৱিক সংৰক্ষণ আৰু নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰা আৰু এনেধৰণৰ ব্যৱস্থাক মজবুত কৰি বনজ আৰু অনা-বনজ জাতীয় বস্তুৰ গ্ৰহণযোগ্য ব্যৱহাৰৰ জৰিয়তে জীৱন ধাৰণৰ সুষম ব্যৱস্থা কৰা। এই আঁচনিৰ লক্ষ্যসমূহ এনেধৰণে বৰ্ণনা কৰা হৈছে। বন বিভাগৰ বিভিন্ন গোটৰ সহযোগিতাত এই গোটসমূহৰ জীৱিকা নিৰ্বাহৰ প্ৰথাসমূহ মজবুত কৰি সংৰক্ষণ আৰু জৈৱিক বৈষম্যৰ গ্ৰহণযোগ্য ব্যৱস্থা কৰা।

ফ্ৰান্স উন্নয়নকামী এজেন্সী, এজেন্সী ফ্ৰান্স ডি ডেভেলপমেণ্ট (এ এফ ডি)ৰ জৰিয়তে এই আঁচনিত বিশেষকৈ ধনৰ সাহায্য আগবঢ়োৱা হৈছে। ইয়াত সহকাৰী ধন যোগাৰ কৰোঁতা হিচাপে আছে অসম চৰকাৰ। বনজ আৰু জৈৱিক পদাৰ্থৰ সংৰক্ষণৰ অসম আঁচনি এই পৰিকল্পনাৰ বাবে নীতি গ্ৰহণ কৰা, চোৰাচিতা কৰা ইত্যাদি বিভিন্ন ব্যৱস্থাৰ বাবে দায়বদ্ধ।

**ক্ষুদ্ৰ আঁচনি আৰু জীৱন ধাৰণ উন্নীতকৰণ** ঃ বজাৰৰ সমৰ্থ অনুযায়ী মূল্যাংকন বৃদ্ধি, বৰ্তমানৰ আঁচনিয়ে উদ্যোগীকৰণৰ ওপৰত বিশেষ গুৰুত্ব দিয়া, মাৰ্কেটিঙৰ ওপৰত গুৰুত্ব দিয়া ইত্যাদিৰ জৰিয়তে জীৱন ধাৰণৰ কাৰ্যকলাপৰ বিষয়ে উন্নয়ন সাধন কৰা। বৰ্তমানৰ জনসংখ্যাৰ ক্ৰমবৰ্ধমান গতিৰ বাবে বৰ্তমানৰ বনজ সম্পদৰ ওপৰত পৰা বিৰাট হেঁচা বা চাপৰ বাবে এনেধৰণৰ ব্যৱস্থাৰ প্ৰয়োজন হৈছে। বজাৰৰ ক্ষমতাৰ ওপৰত নিৰ্ভৰ কৰি বৰ্তমানৰ বনজ আৰু জৈৱিক বস্তুৰ ওপৰত লাহে লাহে ইয়াৰ মূল্যাংকন সংযোজনৰ সময় আহি পৰিছে। ইয়াৰ উপৰি বনজ সম্পদৰ বাহিৰে অন্যান্য সম্পদৰ ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে সমাজৰ অন্যান্য সদস্যসমূহৰ নৈপুণ্য বৃদ্ধিৰ কৌশলসমূহৰ জৰিয়তে অন্যান্য ব্যৱস্থাৰ ওপৰত গুৰুত্ব আৰোপ কৰা উচিত।

ভাৰতীয় উদ্যোগীকৰণ প্ৰতিষ্ঠান, গুৱাহাটী, ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধিৰ সহযোগত জীৱিকা বিকাশৰ বাবে এই ক্ষুদ্ৰ পৰিকল্পনা হাতত লোৱা হৈছে, যাতে ক্ষুদ্ৰ আঁচনি আৰু জীৱন ধাৰণৰ উন্নয়ন এই ব্যৱস্থাৰ দ্বাৰা সম্ভৱ। এই উমৈহতীয়া অনুষ্ঠানটিক ক্ষুদ্ৰ আঁচনি আৰু জীৱন ধাৰণৰ সুবিধাসমূহৰ যুটীয়া ৰাজশক্তি (কম্‌পেল') নামেৰে নামকৰণ কৰা হৈছে।

এই আঁচনিৰ নীতি-নিয়ম অনুযায়ী এই ক্ষুদ্ৰ পৰিকল্পনাৰ অন্তৰ্ভুক্ত অন্যান্য ব্যৱস্থাসমূহৰ ভিতৰত— 'গ্ৰামীণ আৰু বনজ উন্নীতকৰণৰ অন্যান্য ব্যৱস্থাসমূহ— বনাঞ্চল নিৰ্ভৰশীল সদস্যসকলৰ জীৱন ধাৰণৰ ব্যৱস্থাত সহায় কৰা, বন পৰিচালনাত যথেষ্টসংখ্যক বিষয়া/কৰ্মচাৰীৰ সহায় লোৱা ইত্যাদি'। ইয়াত বন বিভাগ আৰু জীৱন ধাৰণৰ উন্নয়নকৰণৰ বিভিন্ন ব্যৱস্থা জড়িত হৈ আছে।

**তৰাজান ই ডি চিৰ বাবে ক্ষুদ্ৰ প্ৰকল্প** ঃ এই পৰিকল্পনাত তৰাজান পৰিৱেশ উন্নয়ন সমিতিৰ বাবে ক্ষুদ্ৰ প্ৰকল্পৰ তথ্য দাঙি ধৰা হৈছে। এই সমিতিখন তেজপুৰৰ দোলাবাৰীস্থিত পশ্চিম অসম বন্যপ্ৰাণী সংৰক্ষিত সংমণ্ডলৰ অধীনস্থ নামেৰী বন্যপ্ৰাণী মণ্ডলত অৱস্থিত। পৰৱৰ্তী শিতানত এই কমিটীৰ বিষয়ে আলোচনা কৰা হৈছে।

বৰ্তমানৰ ক্ষুদ্ৰ আঁচনিখন ৰাইজৰ দ্বাৰা তৈয়াৰ কৰা হৈছে। এই দলিলখন গ্ৰামীণ অংশগ্ৰহণকাৰীৰে যোগাযোগৰ দ্বাৰা তৈয়াৰ কৰা হৈছে। ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান আৰু ৰাইজৰ সহযোগত ৩০ এপ্ৰিল ২০১৭ চনত তৈয়াৰ কৰা হৈছে। আঁচনিৰ ৰীতি-নীতিৰ জৰিয়তে ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠানৰ দ্বাৰা এই ক্ষুদ্ৰ আঁচনি তৈয়াৰ হৈছে। বিশদ আলোচনাৰ অন্তত তৰাজান ই ডি চিৰ বাবে প্ৰকল্প আঁচনি চূড়ান্ত কৰা হয়।

## (২) গ্ৰামীণ আৰ্থ-সামাজিক আকৃতি

স্থান ঃ নামেৰী সংৰক্ষিত বনাঞ্চল সংলগ্ন তৰাজানৰ আৱাসী এলেকাৰ জনসাধাৰণক লৈ তৰাজান পৰিৱেশ উন্নয়ন সমিতি (ই ডি চি) গঠন কৰা হৈছে। শোণিতপুৰ জিলাৰ ভালুকমাৰী গাঁও পঞ্চায়তৰ অধীনস্থ এলেকাক এই ই ডি চিয়ে সামৰি লৈছে। **অতিৰিক্ত সূচী (১)ত ইয়াৰ তথ্য গাঁৱৰ মানচিত্ৰসহ দেখুওৱা হৈছে।**

**প্ৰধান তথ্যসমূহ** ঃ **ই ডি চিৰ প্ৰধান তথ্যসমূহ তলত উল্লেখ কৰা হ'ল—**

**তালিকা (ক) ই ডি চিৰ প্ৰধান তথ্যসমূহ—**

| **ই ডি চিৰ নাম** | **তৰাজান** |
|---|---|
| বসতি এলেকা<br>ৰাজহ গাঁৱৰ নাম | তৰাজান<br>ফৰেষ্ট ভিলেজ |
| গাঁও পঞ্চায়ত/ভিচিডিচিৰ নাম | ভালুকমাৰী |
| ৰাজহ চক্ৰ | বালিপৰা/চাৰিদুৱাৰ |
| জিলা | শোণিতপুৰ |
| বন সংমণ্ডল | পশ্চিম অসম বন্যপ্ৰাণী সংমণ্ডল |
| বনাঞ্চল ক্ষেত্ৰীয় এলেকা | নামেৰী মণ্ডল, পটাচালি |
| বনাঞ্চলৰ বীট এলেকা | পটাচালি |
| স্থাপিত | ২০১৬ |
| ই ডি চিৰ সীমা বৰ্ণনা | জি পি এছ নিয়ন্ত্ৰিত<br>N 26$^0$55'30", E 92$^0$49'20"<br>উত্তৰে ঃ মেকাহি চোটাই পাহাল<br>দক্ষিণে ঃ দৰিকাটি<br>পশ্চিমে ঃ শাল বাগান<br>পূবে ঃ ভৰলু |

**উৎস ঃ** এপ্ৰিল ২০১৭ত পি আৰ এ অনুশীলনত হোৱা আলোচনা আৰু ই ডি চিৰ সংগৃহীত তথ্যৰ আধাৰত। **(অতিৰিক্ত বিশদ তথ্য তালিকা-১ ৰেকৰ্ড-১ অতিৰিক্ত সূচীত সন্নিৱিষ্ট)**

**কাৰ্যনিৰ্বাহক কমিটী আৰু সাধাৰণ সভাৰ চমু বিৱৰণ** **নিম্নোক্ত নক্সাত ই ডি চিৰ কাৰ্যনিৰ্বাহক সভা আৰু সাধাৰণ সভাৰ চমু বিৱৰণ প্ৰকাশ কৰা হ'ল—**

**নক্সা খ— কাৰ্যনিৰ্বাহক আৰু সাধাৰণ সভাৰ চমু বিৱৰণ**

| **সভাপতিৰ নাম** | **শ্যাম তামুলী** |
|---|---|
| **সম্পাদকৰ নাম** | নাই |
| **কোষাধ্যক্ষৰ নাম** | গকুল বৰা |
| **পঞ্জীয়ন নম্বৰ** | KNP/FG.761/EDC/RC/WAWL/2016-17/03 |
| **কাৰ্যবাহী কমিটীৰ সদস্যৰ সংখ্যা** | পুৰুষ- ৯, মহিলা- ৩, মুঠ- ১২ |
| **সাধাৰণ সভাত সদস্যৰ সংখ্যা** | ৮০ |

**উৎস ঃ** ই ডি চিৰ ৰেকৰ্ড মতে।

ঘৰে প্ৰতি জনসংখ্যাৰ নমুনা ঃ মুঠ ৮০টা পৰিয়ালৰ ভিতৰত ১৪টা পৰিয়াল দাৰিদ্ৰ্য সীমাৰেখাৰ তলত বাস কৰে। মুঠ আৱাসী লোকৰ সংখ্যা ৩৬৩ৰ ভিতৰত ১৭১গৰাকী পুৰুষ আৰু বাকী ১৯২গৰাকী

মহিলা। অঞ্চলটোৰ আৱাসীসকল অন্যান্য পিছপৰা শ্ৰেণীৰ।
তালিকা- ২, ৰেকৰ্ড- ১ ঃ সবিশেষ তথ্যৰ বাবে চাব পৰা যায়।
ওপৰোক্ত তথ্যৰ ভিত্তিত দেখা যায় যে—
(১) প্ৰতিটো পৰিয়ালৰ গড় সদস্য সংখ্যা- ৫।
(২) গাঁওখনত পুৰুষ মহিলাৰ অনুপাত- প্ৰতি ১০০০ পুৰুষৰ বিপৰীতে ১১২৩ মহিলা।

**শিক্ষা আৰু নৈপুণ্যৰ বিকাশ** ঃ ই ডি চি এলেকাৰ ৬০ শতাংশৰো অধিক জনসংখ্যা শিক্ষিত। বেছিসংখ্যক সদস্যই স্কুলীয়া শিক্ষা লাভ কৰিছে। ইয়াৰ বিপৰীতে অতি কমসংখ্যক আৱাসীয়ে কলেজীয়া শিক্ষা লাভ কৰিছে। জীৱিকাৰ বাবে শৈক্ষিক নৈপুণ্য সাধাৰণতে দুটা ব্যৱস্থাপনা— আনুষ্ঠানিক বা অনানুষ্ঠানিক ধৰণে আহৰণ কৰিব পৰা যায়। ই ডি চি এলেকাত অনানুষ্ঠানিক মানে পৰম্পৰাগত পদ্ধতিৰে দক্ষতাৰ বিকাশ সম্ভৱ। তলত উল্লেখ কৰা ধৰণে পৰম্পৰাগত দক্ষতা আহৰণ কৰে।
(ক) কৃষি বৃত্তি, (খ) পশু পালন, (গ) বয়ন শিল্প

**তালিকা (গ) ঃ শ্ৰম শক্তি—**

| কৃষক | পশুপালন | চাকৰি | দিন হাজিৰা |
|---|---|---|---|
| ১১০ | ৮০ | ২ | ২০ |

চৰকাৰে দেশত দক্ষতা বিকাশৰ বাবে উদগনিমূলক ব্যৱস্থা হাতত লৈছে। অৱশ্যে এই অঞ্চল বা চুবুৰীয়া অঞ্চলৰ কোনো গাঁৱৰ আৱাসীয়ে তেনে সা-সুবিধা লাভ কৰা পৰিলক্ষিত হোৱা নাই।

**মাটি** ঃ মাটিৰ দৰে আঁচনিৰ ভিতৰত আছে বিশেষকৈ—

- আঠালেটীয়া মাটি (তুলনামূলকভাৱে দ মাটিত) আৰু
- পাহাৰত ৰঙা মাটিৰ লগতে বনজ অঞ্চলতো একে মাটি।

এই দুই ধৰণৰ মাটিয়ে বেলেগ বেলেগ ধৰণৰ খেতিৰ বাবে সহায়কাৰী হয়। তথাপি মাটিসমূহ এই আটাইবোৰতে সাৰুৱা হয়।

**জলবায়ু ঃ উত্তাপ আৰু বৰষুণৰ মাত্ৰা** ঃ গ্ৰীষ্ম কালত অঞ্চলটোৰ তাপমাত্ৰা ৪০° পৰ্যন্ত হয়। শীত কালত ইয়াৰ তাপমান ৮°ৰ পৰা ১০° চেণ্টিগ্ৰেট পৰ্যন্ত নিম্নগামী হয়। বাৰ্ষিক বৰষুণৰ পৰিমাণ প্ৰায় ৩০০ মিঃ মিঃ পৰ্যন্ত হয়। জুন-ছেপ্টেম্বৰ মাহত বৰ্ষাকালৰ সময়ত দুই-তৃতীয়াংশ বৰষুণ হোৱা দেখা যায়। এলেকাটোত বৰষুণৰ বতৰত আৰ্দ্ৰতা ৯৫ শতাংশৰো অধিক আৰু শীত কালত ইয়াৰ পৰিমাণ ২৫ শতংশতকৈ কম হয়।

**বন আৰু জৈৱিক ভিন্নতা** ঃ হিমালয়ৰ পাদভূমিত অৱস্থিত অসমৰ শোণিতপুৰ জিলাৰ অন্তৰ্গত তেজপুৰৰ পৰা প্ৰায় ৩৫ কিঃ মিঃ দূৰত্বত এই বনাঞ্চলীয় এলেকা বিদ্যমান। নামেৰী বনাঞ্চল সাধাৰণতে সেউজ বননিৰে আৱৰা। জলবায়ুৰে সিক্ত এই বনাঞ্চল নৈপৰীয়া মুকলি ঘাঁহনিৰ লগতে বাঁহ-বেতেৰে আবৃত। এই বনাঞ্চল কপৌ ফুলসদৃশ পৰজীৱী উদ্ভিদ, বিভিন্ন বনলতা, জোপোহা বাঁহ আদিৰে আবৃত।
এই বনাঞ্চলত প্ৰায় ৬০০ৰো অধিক প্ৰজাতিৰ গছ-লতা, তৰু-তৃণ উপলব্ধ। এই বনাঞ্চলত উপলব্ধ বিভিন্ন প্ৰজাতিৰ গছ-গছনিৰ ভিতৰত গেমলিনা আৰবৰিয়া, মিছেলিয়া ছামপাকা, আমৰি, চুক্ৰাচিয়া টুবুলাৰিছ, এজাৰ, উৰিয়াম পমা, ভেলেউ, অগৰু, ৰুদ্ৰাক্ষ, বন জলকীয়া, হাটীপলিয়া, আখকন, হলখ, নাহৰ ইত্যাদি অন্যতম। বনাঞ্চলটোত বনৰীয়া ফুল, যেনে— ডেণ্ড্ৰবিয়াম, চিম্বিডিয়াম আৰু ছাইপ্ৰিপেডিঅ'ইডি আদিৰ দৰে ভিন্ন অৰ্কিড পোৱা যায়।
এই বনাঞ্চলীয় এলেকাটোক বন্যহস্তীৰ সংৰক্ষিত এলেকা বুলি বিবেচনা কৰা হয়।

ইয়াৰ উপৰি বনাঞ্চলীয় এলেকাটো অন্যান্য জীৱ-জন্তু, যেনে— বাঘ, নাহৰফুটুকী, হৰিণ, বনৰীয়া কুকুৰ, নলগাহৰি, ভালুক, মলুৱা বান্দৰ, জহামাল আদিৰ বসতিস্থল। নামেৰী বনাঞ্চলত তিনিশৰো অধিক প্ৰজাতিৰ চৰাই-চিৰিকটি পোৱা যায়।

**মাটি ব্যৱহাৰৰ পদ্ধতি** ঃ অনুসূচী- ২ত এই বিষয়ে বিশেষভাৱে দিয়া আছে।

(১) শস্য পথাৰ— ৫২.৫১%

(২) পথ— ১.৮১%

(৩) নিষ্পত্তি হোৱা মাটিকালি— ৪৫.৬৮%

**মাটিৰ দায়িত্ব** ঃ **তালিকা ৩ৰৰেকৰ্ড ১ত মাটিৰ দায়িত্বত থকা অৱস্থাৰ বিষয়ে গম পোৱা যায়।**

- ৫ ঘৰ মাটিৰ গৰাকী ধনিক শ্ৰেণীৰ (১০ বিঘাৰো অধিক)।
- ৬৪ ঘৰ মাটিৰ গৰাকী মধ্যমীয়া খেতিয়ক (৫-১০ বিঘা)।
- ১০ ঘৰ মাটিৰ গৰাকী ক্ষুদ্ৰ খেতিয়ক (৫ বিঘাতকৈ কম)।
- ১ ঘৰ ভূমিহীন।

**পশুপালন** ঃ গাঁওখনত সৰ্বমুঠ পালিত পশুৰ সংখ্যা হ'ল— ১৮০০ (আনুমানিক)। মূল পশুপালন হ'ল—

| | | |
|---|---|---|
| গাইগৰু | ঃ | ১৮০ |
| ছাগলী | ঃ | ১৩৪ |
| হাঁহ-কুকুৰা পালন | ঃ | ১৪৬০ |

তালিকা ৪ৰ **ৰেকৰ্ড-১**খন বিভিন্ন সময়ত প্ৰয়োজন অনুযায়ী ওপৰোক্ত হিচাপৰ লগত সংযোগ কৰিব পাৰি।

**গাঁৱৰ আন্তঃগাঁথনি আৰু যোগাযোগৰ সুবিধা** ঃ কোনো সমাজত যোগাযোগৰ আন্তঃগাঁথনি ব্যৱস্থাই জীৱিকা বিকাশৰ বিকল্পত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। গাঁৱত বৰ্তমান আন্তঃগাঁথনি মুঠেই সন্তোষজনক নহয়। নক্সা-৫ত এই বিষয়ে বিশদভাৱে প্ৰকাশ কৰা হ'ল।

ওপৰোক্ত নক্সাৰ পৰা গাঁৱৰ আন্তঃগাঁথনিৰ বিষয়ে নিম্নোক্ত কথাখিনি ক'ব পাৰি—

• ই ডি চি এলেকাটোত সমীক্ষা চলাওঁতে গাঁৱৰ আন্তঃগাঁথনিগত ব্যৱস্থাৰ বুজ লোৱাটোৱে ক্ষুদ্ৰ পৰিকল্পনাৰ অন্যতম বিষয়বস্তু আছিল। উল্লেখিত ই ডি চিৰ সৈতে নামেৰী বন সংমণ্ডল কাৰ্যালয়ৰ লগত পথ যোগাযোগ আছে যদিও ৰাষ্ট্ৰীয় ঘাইপথৰ সৈতে সংলগ্ন পথছোৱা মটৰ পৰিবহণযুক্ত কেঁচা পথহে।

• ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা গাঁওখনলৈ যোৱা পথছোৱা পকী যদিও গাঁৱৰ আভ্যন্তৰীণ সকলো পথেই কেঁচা।

• ই ডি চিৰ অন্তৰ্গত আৱাসী এলেকাৰ সকলো আৱাসতে বিদ্যুৎ যোগাযোগ আছে। অৱশ্যে গাঁওবাসীৰ মাজত এল পি জি কানেকচন (ৰন্ধন গেছ)ৰ ব্যৱস্থা নাই। গাঁওবাসীয়ে ৰন্ধন কাৰ্যৰ বাবে বনাঞ্চলৰ খৰি লুৱাৰ ওপৰতে নিৰ্ভৰ কৰিব লাগে। গাঁওবাসীয়ে বনাঞ্চলৰ পৰা খৰি আদি সংগ্ৰহ কৰাটো বন বিভাগৰ বাবে উদ্বেগৰ কাৰণ।

• গাঁওখনৰ বাবে থকা প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰটো হাতীগেট সমীপৱৰ্তী ডাকঘৰৰ লগতে অৱস্থিত। ই ডি চিৰ পৰা ইয়াৰ দূৰত্ব ২.৩ কিঃ মিঃ। গাঁওবাসীয়ে স্বাস্থ্য পৰীক্ষাৰ বাবে বহু দূৰ বাট যাব লগা হয়।

• ই ডি চি এলেকাত বৰ্তমান এখন নিম্ন প্ৰাথমিক বিদ্যালয় আছে। অৱশ্যে

এলেকাটোত এটা অংগনৱাড়ী কেন্দ্ৰ আছে, য'ত প্ৰাথমিক স্বাস্থ্য সেৱা বিষয়ক, যেনে— গৰ্ভ নিৰোধক পৰামৰ্শ-যোগান, শিশুৰ পুষ্টিকাৰক বিষয় আদিৰ উপৰি প্ৰাথমিক শিক্ষাৰ কাম-কাজ চলোৱা হয়।

• গাঁওখনত পালিত পশু ধনৰ বাবে প্ৰয়োজনীয় খাদ্যৰ মূল উৎসই হৈছে বনাঞ্চলীয় এলেকা আৰু পশু পালকৰ সক্ষমতাৰ ওপৰত নিৰ্ভৰশীল। ই ডি চি এলেকাৰ গাঁওবাসী পশু খাদ্যৰ বাবে শস্যৰ অৱশিষ্ট, গছ-গছনি, ঘাঁহ আদিৰ ওপৰত নিৰ্ভৰশীল।

• অঞ্চলটোত কিছুমান ঘাঁহনি পথাৰো আছে, যিবোৰ গৰু-ছাগলীৰ বাবে গাঁওবাসীয়ে ব্যৱহাৰ কৰে। এই ঘাঁহনি পথাৰসমূহ বছৰটোৰ ছয় মাহৰ বাবেহে উপলব্ধ। ই ডি চি এলেকাটোৰ লোকসকলে যিহেতু গোটেই বছৰজুৰি শাক-পাচলি উৎপাদন কৰে, সেয়ে পশুপালনৰ ক্ষেত্ৰত বিশেষ নাটনিৰ সন্মুখীন নহয়।

• তৰাজান ই ডি চিৰগাঁওবাসীয়ে দহ কিলোমিটাৰ দূৰত্বত অৱস্থিত চাৰিদুৱাৰলৈ সাপ্তাহিক বজাৰৰ বাবে আহ-যাহ কৰিবলগীয়া হয়। সাপ্তাহিক বজাৰখনত প্ৰয়োজনীয় অত্যাৱশ্যকীয় সকলো সামগ্ৰী পোৱা যায়।

• তৰাজান ই ডি চিৰ সকলো পৰিয়ালৰে খোৱাপানীৰ বাবে কুঁৱা আছে। অঞ্চলটোত থকা সোণাই নদীৰ পানী কৃষিকৰ্মত ব্যৱহৃত হয়। অৱশ্যে জলসিঞ্চনৰ ছবিখন পৰ্যাপ্ত নহয়।

• গ্ৰাম্য জীৱনৰ উন্নয়নৰ বাবে প্ৰয়োজনীয় প্ৰধান উৰ্জা শক্তি, যেনে— বিদ্যুৎ, এল পি জি, জৈৱিক গেছ, কেৰাচিন আদি অন্যতম যদিও তৰাজান ই ডি চিৰ আৱাসী লোকসকল কাঠখৰিৰ ওপৰতহে নিৰ্ভৰশীল। অঞ্চলটোত কেৱল তিনিটা পৰিয়ালৰহে এল পি জি কানেকচন আছে।

**কৃষিজাত শস্য** ঃ তালিকা-৬ ৰেকৰ্ড-১ গাঁৱত উৎপন্ন হোৱা কৃষিজাতীয় শস্যৰ বিশেষ বিৱৰণ দিয়া হৈছে। নিম্নোক্ত শস্যসমূহ মুখ্য শস্য বুলি এই গাঁৱত জনাজাত।

খাৰিফ শস্য ঃ ধানখেতি (বৰোধান, আইজং, ৰঞ্জিত, জহা ইত্যাদি)

ৰবি শস্য ঃ সৰিয়হ, ফুলকবি, বন্ধাকবি, বেঙেনা, বিলাহী, ৰঙালাউ ইত্যাদি।

অন্যান্য ঃ আম, কঁঠাল, আনাৰস ইত্যাদি। এই সকলো শস্যৰে বৰযুণৰ প্ৰয়োজন হয়।

**শস্য উৎপাদনৰ বিৱৰণ** ঃ তালিকা-৭ ৰেকৰ্ড-১ত এই বিষয়ে বিশেষভাৱে দেখুওৱা হৈছে।

• ধানখেতি ঃ ১৮২৫ কুইণ্টল উৎপাদন

• উদ্যান শস্য ঃ ১১০৫ কুইণ্টল উৎপাদন

• ফলমূল ঃ ২২০ কুইণ্টল উৎপাদন

**পশু খাদ্যৰ উৎস** ঃ **নক্সা-৮** ৰেকৰ্ড-১ত পশুৰ বাবে খাদ্যৰ বিষয়ে বৰ্ণনা কৰা হৈছে।

(ক) খেতিৰ বাকী ৰোৱা অংশ

(খ) ঘৰৰ ৰান্ধনীশালৰ বাকী ৰোৱা অংশ

(গ) অৱশিষ্ট শাক-পাচলি

(ঘ) ঘাঁহনি

**বজাৰ** ঃ তালিকা- ৯ ৰেকৰ্ড- ১ৰ দ্বাৰা বিভিন্ন বজাৰৰ স্থিতি উল্লেখ কৰা হৈছে। ৰাইজে ব্যৱহাৰ কৰা মুখ্য বজাৰ কেইখনমান হ'ল—

(ক) গেলামাল/ৰাজহুৱা বিতৰণ ব্যৱস্থা ঃ গাঁৱৰ ভিতৰতে

(খ) সাপ্তাহিক/অৰ্ধসাপ্তাহিক বজাৰ ঃ ১০ কিলোমিটাৰ দূৰত্বৰ চাৰিদুৰাৰত।

(গ) ডাঙৰ বা মুখ্য বজাৰ ঃ ১৫ কিলোমিটাৰ দূৰত্বৰ লখৰাত অৱস্থিত।

**জলসম্পদ** ঃ **তালিকা ১০ৰ ৰেকৰ্ড ১ত জলজ সম্পদ পোৱা যায়। জলজ সম্পদ থকা উৎসসমূহ হ'ল—**

**(ক)** পকী কুঁৱা (পানীৰ উপস্থিতি সদায় থাকে)

**(খ)** নদী (পানীৰ উপস্থিতি সদায় থাকে)

**শক্তিৰ ব্যৱহাৰ** ঃ **তালিকা ১১ৰ ৰেকৰ্ড ১ত এই বিষয়ে বিশেষ উল্লেখ কৰা হৈছে। এই তালিকাত গাঁৱত ব্যৱহৃত শক্তিৰ মুখ্য উৎসৰ বিষয়ে আলোচনা কৰা হৈছে।**

**(ক)** খৰি ঃ নিৰ্ভৰশীল পৰিয়াল— ৮০টা, উৎস ঃ বনাঞ্চল

**(খ)** এল পি জি ঃ নিৰ্ভৰশীল পৰিয়াল— ৩টা, উৎস ঃ চৰকাৰ

**আৰ্থ-সামাজিক মৰ্যাদা** ঃ **সামাজিক স্থিতি** ঃ গাঁওখন সাধাৰণতে অসমীয়া জনগোষ্ঠীয় লোক আৰু তেওঁলোকক পিছপৰা শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰা হৈছে। তেওঁলোকৰ মাজত কোনো সামাজিক বিভাজন নাই। মহিলাৰ স্থিতি সাধাৰণতে সন্তোষজনক।

**আৰ্থিক অৱস্থা** ঃ আৰ্থিক স্থিতি এই গাঁৱত সন্তোষজনক নহয়। খেতিয়েই ইয়াত মুখ্য পেছা যদিও কাপোৰ বোৱা, দিন হাজিৰা কৰা, পশুপালন, পাচলি বিক্ৰী আদি অন্যতম কৰ্ম। গাঁওখনৰ প্ৰায় ৬৬ ঘৰ লোকে বছৰি ৯৬,০০০ টকাৰ পৰা ১,২০,০০০ পৰ্যন্ত আয় কৰে। পাঁচটা পৰিয়ালৰ আয় বছৰি প্ৰায় ১,৪০,০০০ টকা।

**বন্যপ্ৰাণী সংৰক্ষিত এলেকাৰ প্ৰভাৱ** ঃ **যোগাত্মক প্ৰভাৱ ঃ**

- মাটি আৰু পানীৰ সংৰক্ষণ
- পৰ্যটনৰ পৰা অৰ্থনৈতিক লাভালাভ
- পৰিৱেশৰ উন্নয়ন

ঃ **ঋণাত্মক প্ৰভাৱ ঃ**

- মানুহ আৰু বন্যপ্ৰাণীৰ মাজত সংঘাত
- পোহনীয়া জন্তু আৰু অৱশিষ্ট খাদ্যশস্যৰ বাবে বন্যপ্ৰাণীৰে সংঘাত
- বন্যপ্ৰাণীৰ দ্বাৰা সম্পত্তিৰ ক্ষতিসাধন

**মানচিত্ৰ** ঃ **অনুসূচী-১ত উল্লিখিত মানচিত্ৰত বিশদ আলোচনা কৰা হৈছে।**

(ক) গাঁৱৰ মেপ

(খ) গাঁৱৰ সামাজিক মেপ (নাম আৰু অন্যান্য প্ৰকাৰৰ সৈতে)

(গ) গাঁৱৰ সমূহীয়া সম্পদৰাজিৰ মেপ

## ৩ জীৱন ধাৰণ ব্যৱস্থাপনাৰ বিশ্লেষণ

**পি আৰ এ অনুশীলন** ঃ ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠানৰ জৰিয়তে তৰাজান গাঁৱত এক অনুশীলন কৰা হৈছিল— তাৰিখ ঃ ৩০ এপ্ৰিল ২০১৭, স্থান ঃ তৰাজান। উপস্থিত জনসংখ্যা ঃ ৩৫জন। ই ডি চিৰ কাৰ্যবাহী সদস্যৰ উপৰি ইয়াত উপস্থিত আছিল— গাঁওবুঢ়া, সামাজিক সদস্য, বন বিভাগৰ সদস্য আদি।

**লক্ষ্য** ঃ গাঁৱৰ ৰাইজৰ সৰ্বাংগীণ বিকাশৰ উদ্দেশ্যে আৱাসী লোকসকলৰ বৰ্তমানৰ অৱস্থা সম্পৰ্কত গঞা ৰাইজৰ মাজৰ পৰা বিভিন্ন খবৰ গ্ৰহণ কৰি বনাঞ্চল বিকাশ আৰু জীৱিকা বিকাশৰ সূত্ৰ উদ্ভাৱন কৰাটোৱেই ইয়াৰ লক্ষ্য।

**পদ্ধতিৰ ব্যৱহাৰ আৰু ইয়াৰ পৰিণতি** ঃ পদ্ধতিৰ ব্যৱহাৰ আৰু ইয়াৰ পৰিণতি তলত দিয়া ধৰণে—

সামাজিক মেপিং
সম্পত্তি আহৰণকাৰীৰ স্থান
সময়ভিত্তিক পৰ্যালোচনা
জীৱন ধাৰণৰ অৱস্থাসমূহ
ভেন চিত্ৰ
চপাটি চিত্ৰ
অনুসূচী ঃ ৩ ওপৰোক্ত বিষয়বোৰৰ সম্পূৰ্ণকৈ আলোকপাত কৰা হৈছে।

**শ্ৰেণীবদ্ধকৰণ** ঃ নিম্নোক্ত বিষয়কেইটাৰ বাবে শ্ৰেণীবদ্ধকৰণ অনুশীলন চলোৱা হয়।

(১) জীৱিকা আৰু নৈপুণ্য বিকাশ
(২) প্ৰাৰম্ভিক কাৰ্য ব্যৱস্থাপনা (ই পি এ)

তালিকা ঃ (ঘ) ই পি এৰ শ্ৰেণীবদ্ধকৰণ

| **স্থান** | **গাঁৱৰ ই পি এ** | **বিশদ বিৱৰণ তালিকা- ৩ বিশেষভাৱে দিয়া আছে** | **সম্ভাব্য বিত্তীয় উৎস** |
|---|---|---|---|
| ১ | হস্ততাঁত | বহুমুখী ব্যৱহাৰৰ বাবে এটা প্ৰশিক্ষণ কেন্দ্ৰ | এ পি এফ বি চি |
| ২ | সৌৰশক্তিচালিত বেৰ | ই ডি চিৰ চাৰিসীমাত বেৰ নিৰ্মাণ | এ পি এফ বি চি |
| ৩ | জিৰণি ঘৰৰ ব্যৱস্থা | পৰ্যটকৰ বাবে ব্যৱহাৰ হ'ব পৰা টেণ্ট | এ পি এফ বি চি |
| ৪ | উৎপাদন কেন্দ্ৰৰ লগতে প্ৰেক্ষাগৃহ | প্ৰেক্ষাগৃহৰ নিৰ্মাণ | এ পি এফ বি চি |
| ৫ | খোৱাপানী | আৰ অ' প্ৰকল্প স্থাপন | এ পি এফ বি চি |

উৎস ঃ পি আৰ এ

ই ডি চি এলেকাৰ ভিতৰত কাৰ্যালয় কেন্দ্ৰৰ লগতে আৱাসী লোকসকলৰ বাবে ন্যূনতম ব্যয় সাপেক্ষ এটা প্ৰেক্ষাগৃহ নিৰ্মাণ কৰা হ'ব, য'ত আৱশ্যকীয় যন্ত্ৰ-পাতি আদি ৰাখিব পৰা যায়।

**জীৱিকাৰ সুযোগ** ঃ ই ডি চি এলেকাৰ গাঁওবাসীসকলৰ সাম্প্ৰতিক জীৱিকা আৰু তেওঁলোকৰ বাবে প্ৰয়োজনীয় দক্ষতা বিকাশ বা অগ্ৰাধিকাৰ সম্পৰ্কে পৰ্যালোচনা চলোৱা হয়। এইক্ষেত্ৰত কৃষিখণ্ড আৰু অনা-কৃষিখণ্ড হিচাপে দুটা ভাগত ভাগ কৰা হয়। এই সন্দৰ্ভত গাঁওবাসীৰ সঁহাৰি তলৰ তালিকাত দাঙি ধৰা হ'ল।

তালিকা ঃ (৬) জীৱিকাৰ সুযোগ শ্ৰেণীবদ্ধকৰণ

| **কাৰ্য আঁচনি ধৰণ** | **অগ্ৰাধিকাৰ ভিত্তিত মূল্যাংকন** | | | | |
|---|---|---|---|---|---|
| | ১ | ২ | ৩ | ৪ | ৫ |
| কৃষি সম্পৰ্কীয় | ১ | — | — | — | — |
| উদ্যান শস্য সম্পৰ্কীয় | — | ২ | — | — | — |
| পশুপালন সম্পৰ্কীয় | — | ২ | — | — | — |
| হস্তশিল্প | — | — | ৩ | — | — |
| হস্ততাঁত | — | — | — | ৪ | — |
| অন্যান্য (এন টি এফ পি) | — | — | — | ৪ | — |

উৎস ঃ পি আৰ এ

পি আৰ এ অনুশীলনৰ সময়ত দেখা গ'ল যে কৃষিকৰ্ম আৰু ইয়াৰ সহযোগী কৰ্ম, যেনে— মৌপালন, ৰেচম শিল্পজাতীয় প্ৰশিক্ষণ কাৰ্যসূচী অধিক বিবেচিত হৈছে। কিয়নো ই ডি চি এলেকাত এই জাতীয় উৎস সহজলভ্য। দ্বিতীয় আৰু তৃতীয় স্থানত অগ্ৰধিকাৰ লাভ কৰিছে উদ্যান শস্য আৰু পশুপালন খণ্ডই। হস্তশিল্প যেনে— বাঁহ-বেতৰ সামগ্ৰী নিৰ্মাণ আৰু হস্ততাঁত আদিৰ সৈতে জড়িত চিলাই কাম আদিৰ দক্ষতা বিকাশৰ ক্ষেত্ৰত আগ্ৰহ কম দেখা যায়।

**বনাঞ্চল উন্নয়নৰ সুযোগ** ঃ তৰাজান ই ডি চিত বনাঞ্চলৰ উন্নয়ন আৰু সুযোগ সন্দৰ্ভত স্থানীয় লোকৰ সজাগতা সম্পৰ্কে তথ্য আহৰোণৰ বাবে শ্ৰেণীবদ্ধকৰণ পৰীক্ষা চলোৱা হয়। প্ৰকল্প এলেকাত বনাঞ্চল উন্নয়নৰ সুযোগ সম্পৰ্কে অগ্ৰাধিকাৰ ভিত্তিত স্থান নিৰ্ণায়ক সবিশেষ তথ্য তলত উল্লেখ কৰা হ'ল—

(১) জুই খৰিৰ বাবে বৃক্ষৰোপণ

(২) ধ্বংস হোৱা বনাঞ্চলীয় এলেকাৰ উন্নয়ন।

(৩) ঔষধি গছ এন টি এফ পি জাতীয় বন সংৰক্ষণ ধৰ্মীয় বৃক্ষ ৰোপণ।

(৪) গছপুলি পালন (নাৰ্ছাৰী)ৰ বিকাশ ঘটোৱা।

(৫) ভূমি এলেকা চিহ্নিতকৰণ।

(৬) বাঁহ গছ ৰোপণ।

(৭) অন্যান্য বৃক্ষ ৰোপণ।

(৮) প্ৰাকৃতিকভাৱে বনাঞ্চলৰ বিকাশ ঘটোৱা।

(৯) পশু খাদ্যৰ বাবে বৃক্ষৰোপণ।

**কৃষি আৰু উদ্যান শস্য** ঃ এই সন্দৰ্ভত তালিকা ১২, ৰেকৰ্ড ২ত সবিশেষ তথ্য দাঙি ধৰা হৈছে।

**মূল সমস্যাসমূহ—**

(ক) অতি নিম্নমানৰ সাৰ, কীটনাশকৰ ব্যৱহাৰ।

(খ) জলসিঞ্চন ব্যৱস্থাৰ অভাৱ।

(গ) কৃষি খণ্ডৰ বিকাশৰ বাবে আধুনিক যন্ত্ৰ-পাতিৰ অভাৱ।

(ঘ) উচ্চ উৎপাদনমুখী বীজৰ ব্যৱহাৰৰ অভাৱ।

**সুযোগসমূহ—**

(ক) সাৰ, কীটনাশক আদি এক নিয়মিত আৰু উপযুক্ত পৰিমাণে ব্যৱহাৰ কৰিব পৰা যায়।

(খ) আধুনিক প্ৰযুক্তিৰ সৈতে পৰিচয় কৰাব পৰা যায়।

(গ) সু-সংঘটিত প্ৰশিক্ষণ আঁচনি গ্ৰহণ।

গাঁওবাসী কৃষিকৰ্মৰ বাবে পৰম্পৰাগতভাৱে নিপুণ। তেওঁলোকৰ দক্ষতাৰ বিকাশ ঘটোৱাৰ আৱশ্যকতা আছে।

এইক্ষেত্ৰত নিম্নোক্ত পৰামৰ্শ আগবঢ়োৱা হ'ল—

- ট্ৰেক্টৰ চালনাৰ প্ৰশিক্ষণ।
- কৃষিকৰ্মৰ বাবে দক্ষতা বিকাশ আঁচনি গ্ৰহণ।
- সাৰ, কীটনাশক, উচ্চ উৎপাদনমুখী বীজ আদিৰ ব্যৱহাৰৰ বাবে প্ৰশিক্ষণ।

**পশুপালন** ঃ তালিকা ১৩ত পশুপালনৰ সুযোগ সম্পৰ্কে সবিশেষ তথ্য দিয়া হৈছে।

**মূল সমস্যাসমূহ—**

(ক) দুৰ্বল বিত্তীয় অৱস্থাৰ বাবে বজাৰৰ পৰা পশুখাদ্য ক্ৰয় কৰিবলৈ অপাৰগ।

(খ) পশুখাদ্যৰ বাবে গছ-গছনি আৰু শস্যৰ অৱশিষ্ট কেৱল ৩-৬ মাহলৈহে উপলব্ধ।

(গ) পশু চিকিৎসা কেন্দ্ৰ অভাৱ।

(ঘ) উপযুক্তভাৱে পশুপালন সম্পৰ্কীয় জ্ঞানৰ অভাৱ।

**সুযোগসমূহ—**

(ক) পশুপালনৰ দ্বাৰা অধিক হাৰত উপাৰ্জন সম্ভৱ।

(খ) গাঁৱৰ প্ৰয়ভাগ লোকেই এই কাৰ্যৰ সৈতে জড়িত।

**দক্ষতা বিকাশৰ পৰামৰ্শ—**

(ক) ছাগলী পালন।

(খ) হাঁহ-কুকুৰা পালন।

(গ) গো-ধন পালন।

**কাঠবিহীন বনজ উৎপাদক (এন টি এফ পি)** ঃ **তালিকা নং- ১৪ৰ ৰেকৰ্ড- ২**ত কাঠবিহীন বনজ উৎপাদকৰ সুবিধাসমূহ

**মুখ্য সমস্যাসমূহ হ'ল—**

- পৰ্যাপ্ত জ্ঞানৰ অভাৱৰ বাবে এন টি এফ পিৰ উপযুক্ত ব্যৱহাৰৰ অভাৱ।
- উচ্চ উৎপাদনমুখী বিভিন্ন ব্যৱস্থাৰ বিকাশ সম্পৰ্কীয় পৰ্যালোচনাৰ অভাৱ।
- কাৰিকৰী জ্ঞানৰ অভাৱ।
- প্ৰসংস্কৰণ ব্যৱস্থাৰ অভাৱ।
- কাৰিকৰী জ্ঞান আৰু যন্ত্ৰ-পাতিৰ অভাৱ।
- স্থানীয়ভাৱে আধুনিক যন্ত্ৰ-পাতি নিৰ্মাণ ব্যৱস্থাৰ অভাৱ।

**সুবিধাসমূহ হ'ল—**

- পৰ্যাপ্ত উৰ্বৰ মাটি উপলব্ধ।
- উৎপাদিত উপভোগ্য সামগ্ৰীৰ বাবে বজাৰ মজুত আছে।

**উল্লেখযোগ্য পৰামৰ্শসমূহ হ'ল—**

- খাদ্যজাতীয় বৃক্ষৰোপণ
- ঔষধি গছ ৰোপণ

**বিশেষীকৰণ শৈলী** ঃ **তালিকা নং- ১৫ৰ ৰেকৰ্ড ২**ৰ জৰিয়তে নৈপুণ্য উন্নীতকৰণৰ বিভিন্ন প্ৰথা দেখুওৱা হৈছে—

**মুখ্য সমস্যাসমূহ হ'ল—**

- বস্তুৰ বিন্যাসীকৰণৰ অভাৱ
- বস্তুৰ গুণগত দিশৰ ওপৰত উপযুক্ত গৱেষণাৰ অভাৱ
- উপযুক্ত কাৰিকৰী দিশৰ অভাৱ

**সুবিধাসমূহ হ'ল—**

- সুন্দৰ যোগাযোগৰ ব্যৱস্থা সৃষ্টি কৰা
- সক্ষমতা বৃদ্ধিৰ বাবে দক্ষতা বিকাশৰ প্ৰশিক্ষণৰ ব্যৱস্থা
- চৰকাৰী সা-সুবিধাৰ সদ্ব্যৱহাৰ।

**উল্লেখনীয় পৰামৰ্শসমূহ হ'ল—**

- আধুনিক সা-সঁজুলিৰ ওপৰত প্ৰশিক্ষণ দিয়া
- গাঁওবাসীক অত্যাধুনিক কাৰিকৰী ব্যৱস্থাৰ যোগান ধৰা
- বস্তুৰ উৎপাদন আৰু সংৰক্ষণৰ ক্ষেত্ৰত উচিত তথা উপযুক্ত প্ৰশিক্ষণ লাভ কৰা
- কেঁচা সামগ্ৰীৰ উন্নতমানৰ ভঁৰাল সৃষ্টি কৰা
- পাইকাৰী হাৰত বস্তুৰ উৎপাদন আৰু বজাৰৰ মাজত এটা যোগসূত্ৰ সৃষ্টি কৰা

**ঋণৰ সুবিধা** ঃ **তালিকা নং- ১৬ৰ ৰেকৰ্ড ২**ৰ জৰিয়তে বিষয়সমূহ আলোচিত হৈছে।

**মুখ্য সমস্যাসমূহ হ'ল—**

- আৰ্থিক ঋণ ব্যৱস্থাৰ অভাৱ।
- ব্যক্তিগতভাৱে ঋণ দিওঁতাই উচ্চ সুদৰ হাৰ বিচাৰে।

**সুবিধাসমূহ হ'ল—**

- অৰ্থনৈতিক সংস্থা প্ৰতিষ্ঠা কৰা
- উপযুক্ত সচেতনতামূলক ব্যৱস্থা সৃষ্টি কৰা
- আধুনিক যন্ত্ৰ-পাতিৰ বাবে ঋণ প্ৰদানৰ ব্যৱস্থা কৰা

**উপদেশকাৰী আঁচনিসমূহ হ'ল—**

- গাঁৱৰ ওচৰতে বিত্তীয় প্ৰতিষ্ঠান কেন্দ্ৰ স্থাপন কৰা

**কৌশলগত হস্তক্ষেপ** ঃ ওপৰত উল্লিখিত উপদেশকাৰী আঁচনিসমূহক জীৱিকা নিৰ্ধাৰণৰ উন্নয়নকাৰী আঁচনিৰ কৌশলগত হস্তক্ষেপ বুলি বৰ্ণনা কৰা হৈছে।

(১) **কৃষি আৰু উদ্যান শস্য** ঃ ট্ৰেক্টৰৰ প্ৰশিক্ষণ, কৃষি নৈপুণ্যৰ আঁচনি, কীটনাশক, সাৰ ইত্যাদিৰ প্ৰকৃত ব্যৱহাৰৰ ওপৰত প্ৰশিক্ষণ।

(২) **বয়ন আৰু চিলাই কাম** ঃ আধুনিক যন্ত্ৰ-পাতি প্ৰদান কৰা

(৩) **পশুপালন** ঃ গাহৰি পালন, কুকুৰা পালন

(৪) **কাঠবিহীন বনজ উৎপাদক** ঃ খোৰা বস্তু আৰু ঔষধি গছ ৰোপণ

(৫) **বিশেষ নৈপুণ্য** ঃ আধুনিক প্ৰযুক্তিবিদ্যাৰ ওপৰত প্ৰশিক্ষণ, গাঁওবাসীক আধুনিক প্ৰশিক্ষণৰ যোগান ধৰা, নতুন পদাৰ্থৰ ওপৰত আলোচনা, কেঁচা সামগ্ৰীৰ ভঁৰাল স্থাপন ইত্যাদি।

(৬) **ঋণৰ সুবিধা** ঃ ঘৰৰ ওচৰতে আধুনিক আৰ্থিক অনুষ্ঠান স্থাপন কৰা।

## ৪. ই ডি চিত জীৱিকাৰ সমীক্ষা

**১ মানৱ সম্পদ**

**১.১ নৈপুণ্যৰ নিদৰ্শন** ঃ এই আঁচনি এলেকাৰ ক্ষেত্ৰত সাধাৰণতে দেখা যায় যে মানুহখিনিৰ খেতিত নিপুণতা থাকে। গাঁৱৰ প্ৰায় প্ৰতিজন লোকেই খেতিয়ক আৰু প্ৰতিজনে খেতিত স্বাৱলম্বী হোৱাৰ চেষ্টা কৰে। খেতিয়কসকলে যথেষ্টখিনি খেতিত মন দিয়ে যাতে নিজে আৰু পৰিয়ালৰ ভৰণ-পোষণৰ বাবে পৰ্যাপ্ত পৰিমাণে উৎপাদন কৰে। সাধাৰণতে এই ধৰণৰ খেতি স্থানীয় লোকে নিজৰ বাবেহে কৰে।

সমীক্ষাৰ পৰা দেখা যায় যে অঞ্চলটোত ৰেচম, হস্ততাঁত আৰু বাঁহ-বেতৰ উদ্যোগ আদিৰ প্ৰচুৰ সম্ভাৱনা আছে।

**১.২ জীৱিকাৰ উপায়ৰ নিদৰ্শন** ঃ সাধাৰণতে আঁচনি অঞ্চলত দেখা গৈছে যে প্ৰায়ভাগ পৰিয়ালেই ক্ষুদ্ৰ খেতিয়ক। দেখা গৈছে যে জীৱন ধাৰণৰ কৌশল আৰু মাটিৰ গৰাকী হোৱাৰ সম্পৰ্কই স্পষ্ট কৰিছে যে বেছি মাটিৰ গৰাকী মানে বেছি আয়ৰ গৰাকী নহ'বও পাৰে। অধিক মাটিৰ গৰাকী

মানেই অধিক কৃষি উৎপাদনৰ ওপৰত নিৰ্ভৰশীল বুলি ক'ব নোৱাৰি।

দেখা গৈছে যে জীৱন ধাৰণৰ শৈলীত দক্ষতা বৃদ্ধিৰ বাবে তথা বিকল্প উপাৰ্জনৰ বাবে বাঁহ-বেত, চিলাই, অকৃষিজাত উৎপাদন সম্পৰ্কীয় প্ৰশিক্ষণ আদিৰ সহায় ল'ব পাৰে।

**১.৩ শিক্ষাৰ মান** ঃ জীৱন ধাৰণৰ শৈলী বৰ বিশেষ পৰিৱৰ্তন নকৰি শিক্ষাৰ জৰিয়তে জীৱন ধাৰণৰ বিভিন্ন ব্যৱস্থাসমূহৰ উন্নীত কৰাই ইয়াৰ মুখ্য লক্ষ্য। শিক্ষাৰ পোহৰ চাৰিওফালে বিলাই দৰিদ্ৰতা তথা সমাজৰ অন্যান্য সমস্যাসমূহ সমাধান কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰি। আঁচনি অঞ্চলত সাধাৰণতে দেখা গৈছে যে উচ্চ শিক্ষা আহৰণৰ বাবে বিশেষ ব্যৱস্থা নাই। অঞ্চলটোত প্ৰয়োজনীয় উদ্যমিতা বিকাশ সম্পৰ্কীয় শৈক্ষিক দক্ষতা বিকাশৰ বাবে আনুষ্ঠানিক অথবা অনানুষ্ঠানিৰ শিক্ষা ব্যৱস্থা আগবঢ়োৱাৰ আৱশ্যকতা আছে।

**১.৪ তথ্যৰ উৎস** ঃ সমাজ উন্নীতকৰণৰ ওপৰত বহু সময়ত তথ্যৰ জ্ঞান বা সম্ভেদৰ সূত্ৰৰ ওপৰত বহুখিনি নিৰ্ভৰ কৰে। সম্ভৱতঃ বনাঞ্চলৰ পিছপৰা অৱস্থাৰ মুখ্য কাৰণ জ্ঞানৰ তথ্য ও সূত্ৰৰ পৰা গাঁওবাসীৰ দূৰৈত বাসস্থান। প্ৰকল্প এলেকাত টিভি-ৰেডিঅ' আদিৰ দৰে জনসংযোগ ব্যৱস্থাপনা নাই।

**১.৫ সংস্কৃতি আৰু পৰম্পৰা** ঃ ৰাইজৰ বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত সংস্কৃতি আৰু পৰম্পৰাই বহুখিনি ভূমিকা গ্ৰহণ কৰে। আঁচনি অঞ্চলত সংস্কৃতিৰ যথেষ্ট ভূমিকা আছে। মূলতঃ অসমীয় মূলৰ আৱাসী গঞা ৰাইজ সাংস্কৃতিকভাৱে যথেষ্ট আগবঢ়া আৰু এই অঞ্চলত বাস কৰা গঞা ৰাইজে গ্ৰহণ কৰা বিভিন্ন ধৰণৰ পৰম্পৰাগত ব্যৱস্থাই দৰাচলতে পৰৱৰ্তী কালত পৰ্যটকৰ বাবে আকৰ্ষণৰ স্থলী ৰূপে পৰিৱৰ্তন হোৱাৰ যথেষ্ট সম্ভাৱনা আছে।

**১.৬ দৈনিক কাম-কাজত**

**পুৰুষ-মহিলাৰ অংশগ্ৰহণ** ঃ আঁচনি অঞ্চলত পুৰুষসকলে কৃষিকৰ্মত ব্যস্ত থকা দেখা যায়। ইয়াৰে ভিতৰত খেতিৰ বাবে মাটি প্ৰস্তুত কৰা, বীজ ৰোপণ কৰা আৰু শস্য চপোৱা আদি অন্যতম। আনহাতে মহিলাসকলেও ৰন্ধা-বঢ়া, শিশুৰ যতন লোৱা, পশুধনৰ যতন লোৱা আদি কৰ্মত নিয়োজিত হয়। আৱাসীসকলে দৈনন্দিন জীৱিকাত দক্ষতাৰ ভিত্তিত কিদৰে পাৰস্পৰিকভাৱে নিজৰ আয় বৃদ্ধিৰ বাবে অংশগ্ৰহণ কৰিব পাৰে, সেয়া পৰ্যালোচনা কৰাৰ আৱশ্যকতা আছে।

**২ সামাজিক ৰাজধানী** ঃ উন্নীত সামাজিক ব্যৱস্থাৰ বিষয়ে জানিবলৈ এক সামাজিক ৰাজধানীৰ ব্যৱহাৰ কৰা হয়, য'ত ঔদ্যোগিক প্ৰতিষ্ঠানৰ বিকাশ, বিভিন্ন গোটৰ পাৰদৰ্শিতা, ব্যৱস্থাপনাৰ দক্ষতা, যোগানকাৰী গোটৰ যোগসূত্ৰ, কৌশলগত মিত্ৰতা আৰু জন সমূদায়ৰ বাস্তৱ স্থিতিৰ ওপৰত পৰ্যালোচনা কৰা হয়।

আঁচনি অঞ্চলত অতি নিৰ্দিষ্ট মানৰ আত্মসহায়ক গোটৰ অৱস্থিতি দেখা যায়। এনে পৰিস্থিতিত ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠান আৰু আত্মসহায়ক গোটৰ মাজত বুজাবুজি হ'ব পাৰে। জনসমুদায়ৰ পৰা পোৱা তথ্য মতে, চৰকাৰী আঁচনিৰ ফলাফল লাভ কৰিবলৈ এতিয়াও বাকী। অৱশ্যে স্বচ্ছ ভাৰত অভিযান আঁচনিৰ অধীনত গাঁওবাসীয়ে অনাময় আঁচনিৰ সুবিধা লাভ কৰিছে।

**৩ পৰিৱেশ ৰাজধানী** ঃ এই সন্দৰ্ভত বন আৰু জৈৱ-বৈচিত্ৰ্যৰ বিষয়টো ল'ব পৰা যায়।

**৪ স্থায়ী ৰাজধানী** ঃ গাঁৱৰ আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থাৰ বিষয়টো ল'ব পৰা যায়।

**৫ অৰ্থনৈতিক আৰু**


**আৰ্থিক ৰাজধানী** ঃ গাঁৱৰ আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থাৰ বিষয়টো ল'ব পৰা যায়।

<u>অনুসূচীৰ তালিকা</u>



| অনুসূচী | শিৰোনাম | পৃষ্ঠা নং |
|---|---|---|
| ১ | মেপ | |
| | স্থানীয় মেপ | ১৬ |
| | সামাজিক মেপ | ১৭ |
| | সম্পদৰ উৎসৰ মেপ | ১৮ |
| ২ | গাঁৱৰ ব্যৱহৃত মাটিৰ মেপ (জি আই এছ) | ১৯ |
| ৩ | পি আৰ এ অনুশীলন | |
| | সামাজিক মেপ নিৰ্মাণ | ২২ |
| | সম্পদশালীৰ মেপ নিৰ্মাণ | ২৪ |
| | নিৰ্দিষ্ট সময়ৰ ঘটনাৱলীৰ পৰ্যালোচনা | ২৪ |
| | বতৰকেন্দ্ৰিক জীৱিকা | ২৫ |
| | ভেন চিত্ৰ | ২৬ |
| | চপাটি চিত্ৰ | ২৭ |
| | অগ্ৰাধিকৰ ভিত্তিত শ্ৰেণী বিভাজন— ই পি এ আৰু সম্ভাব্য জীৱিকা | ২৮-২৯ |
| ৪ | ফটো | ৩০ |
| ৫ | ই ডি চিৰ কাৰ্যবাহী সদস্যৰ তালিকা | ৩১ |
| | | |
| | বয়ন প্ৰশিক্ষণৰ বাবে উদ্যোগীৰ তালিকা | ৩২ |
| ৬ | পূৰ কৰা প্ৰ-পত্ৰৰ তালিকা (প্ৰ-পত্ৰ ১-৪লৈ) তালিকা ১-১৬লৈ | ৩৩-৪০ |

অনুসূচী- ১


## ১. তৰাজান ই ডি চি এলেকাৰ মেপ



## ২. তৰাজান ই ডি চিৰ গাঁৱৰ মেপ




## ৩. তৰাজান ই ডি চিৰ সম্পদৰাজিৰ উৎস



## অনুসূচী- ২

## মাটিৰ ব্যৱহাৰৰ মেপ



## অনুসূচী-৩

# পি আৰ এ কাৰ্য প্ৰণালী

## গ্ৰামীণ অংশগ্ৰহণকাৰীৰে বুজাবুজিৰ বাবে স্থান আৰু সময়

| অংশগ্ৰহণকাৰীৰ সংখ্যা | ৩০ |
|---|---|
| সময় | ১০.৩০ বজা, ৩০ এপ্ৰিল ২০১৭ |
| স্থান | গাঁৱৰ আৱাসীৰ চোতাল |

**তালিকা ৩.১**— তৰাজান ই ডি চিৰ অন্তৰ্গত গাঁৱৰ তথ্য

| ক্ৰ. নং | গাঁৱৰ নাম | পৰিয়ালৰ সংখ্যা | জনসংখ্যা | | |
|---|---|---|---|---|---|
| | | | মুঠ | পুৰুষ | মহিলা |
| ১ | তৰাজান | ৮০ | ৩৬৩ | ১৭১ | ১৯২ |
| | মুঠ | ৮০ | ৩৬৩ | ১৭১ | ১৯২ |

উৎস ঃ ক্ষেত্ৰ এলেকা সমীক্ষা

**তালিকা ৩.২**— তৰাজান ই ডি চিত শিক্ষাৰ মান

| | শিক্ষিত | চতুৰ্থ শ্ৰেণীলৈ | পঞ্চম-দশম | দশম-দ্বাদশ | স্নাতক |
|---|---|---|---|---|---|
| পুৰুষ | ৬৮ | ১৪ | ৩৮ | ৩৯ | ৪ |
| মহিলা | ৭৭ | ১৮ | ৪৬ | ৫৫ | ৪ |
| মুঠ | ১৪৫ | ৩২ | ৮৪ | ৯৪ | ৮ |

উৎস ঃ পি আৰ এ অনুশীলন

**তালিকা ৩.৩**— তৰাজান ই ডি চিত উপাৰ্জনৰ শ্ৰেণীবদ্ধকৰণ

| উপাৰ্জনৰ শ্ৰেণী (টকাৰ হিচাপত) বছৰি | পৰিয়ালৰ সংখ্যা |
|---|---|
| ১২০০০০-১৪০০০০ | ৫ |
| ১০০০০০-১২০০০০ | ৫৫ |
| ৮০০০০-১০০০০০ | ১১ |
| ৬০০০০-৮০০০০ | ৯ |

পি আৰ এ অনুশীলনৰ বাবে ব্যৱহৃত বিভিন্ন আহিলাবোৰ—

(ক) সামাজিক মেপিং
(খ) সম্পত্তি আহৰণকাৰীৰ স্থান
(গ) সাময়িক ঘটনাৰ পৰ্যালোচনা
(ঘ) বতৰভিত্তিক কৰ্মৰ পৰ্যালোচনা
(ঙ) চপাটি চিত্ৰ

## ৩.১ সামাজিক মানচিত্ৰ


তৰাজান ই ডি চিৰ অন্তৰ্গত আৱাসীয় এলেকাত থকা সা-সুবিধা, যেনে— বিদ্যালয়ৰ সংখ্যা, আৱাস নিৰ্মাণৰ পদ্ধতি, সামাজিক আন্তঃগাঁথনি আৰু ধৰ্মীয় বিশ্বাস আদিৰ প্ৰতিচ্ছবি দাঙি ধৰিবলৈ এই মানচিত্ৰ ব্যৱহাৰ কৰা হয়। গাঁওবাসীয়ে এই মানচিত্ৰ প্ৰস্তুতকৰণ প্ৰক্ৰিয়াত অতি সক্ৰিয়তাৰে আৰু উৎসাহেৰে অংশগ্ৰহণ কৰে।

প্ৰথমে গাঁওবাসীক অঞ্চলটোৰ মূল পথসমূহ অংকন কৰিবলৈ দি তেওঁলোকৰ নিজৰ আৱাস, গাঁৱত থকা সামাজিক অনুষ্ঠান আৰু চৰকাৰী কাৰ্যালয় আদি যথাযথ স্থানত চিহ্নিত কৰিবলৈ নিৰ্দেশ দিয়া হয়। এইক্ষেত্ৰত পি আৰ এ সদস্যসকলে অংশগ্ৰহণ গাঁওবাসীক সহযোগ কৰে। শিবিৰটোত এই অনুশীলন প্ৰক্ৰিয়াত গাঁওবাসীয়ে নিজৰ নিজৰ আৱাসসমূহ চিহ্নিত কৰিবলৈ সক্ষম হয়।

**তালিকা ৩.৪**— তৰাজান ই ডি চিত শিক্ষাৰ মান

| **সামাজিক তথ্য** | **গাঁৱৰ নাম** | **তৰাজান** |
|---|---|---|
| | মুঠ জনসংখ্যা | ৩৬৩ |
| | পুৰুষ | ১৭১ |
| | মহিলা | ১৯২ |
| | মুঠ আৱাস | ৮০ |
| | পকীঘৰৰ সংখ্যা | ১২ |
| | আধা পকী ঘৰৰ সংখ্যা | ৬৮ |
| **উল্লেখযোগ্য স্থান** | দলং | ১ |
| | জান | ৩ |
| | নদী | ১ |
| | জনস্বাস্থ্য কাৰিকৰী ব্যৱস্থা | ১ |
| | প্ৰেক্ষাগৃহ | ১ |
| | কুঁৱা | ২ |

## তৰাজান ই ডি চিৰ সামাজিক মেপ



## সামাজিক মেপত পোৱা তথ্য

- সামাজিক মানচিত্ৰ প্ৰস্তুত কৰা সময়ত অংশগ্ৰহণকাৰীসকলে অঞ্চলটোত ৮০টা পৰিয়ালৰ আৱাস চিহ্নিত কৰে। ইয়াৰ ভিতৰত ৬৮টা আৱাস আধা পকী আৰু অৱশিষ্ট ১২টা পকী ঘৰ হিচাপে চিহ্নিত হয়। এলেকাটোত দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ পৰিয়ালে ইন্দিৰা আৱাস যোজনাৰ অধীনত লাভান্বিত হোৱা দেখা যায়। ইয়াৰ পৰাই স্পষ্ট হয় যে গাঁওখনত বসবাস কৰা দুখীয়া পৰিয়ালৰ লোকসকলক ইন্দিৰা আৱাস যোজনাৰ আঁচনিয়ে পূৰ্ণ ৰূপে সামৰি ল'ব পৰা নাই।
- আৱাসী পৰিয়ালৰ ব্যক্তিগত ঘৰসমূহৰ উপৰি গুৰুত্বপূৰ্ণ অনুষ্ঠান-প্ৰতিষ্ঠান, যেনে— নিম্ন প্ৰাথমিক বিদ্যালয়, নামঘৰ, মন্দিৰ, জান-জুৰি, প্ৰেক্ষাগৃহ, ৰাজহুৱা কুঁৱা, দমকল আদি মানচিত্ৰত অন্তৰ্ভুক্ত কৰা হয়।
- গাঁওবাসীৰ বাবে খোৱাপানীৰ মুখ্য উৎস হৈছে ব্যক্তিগত কুঁৱা।
- এলেকাটোত শিক্ষা ব্যৱস্থাটো সন্তোষজনক নহয়। এলেকাটোত কেৱল এখন মাত্ৰ এখন প্ৰাথমিক বিদ্যালয়ত বাদে মাধ্যমিক আৰু হাইস্কুল পৰ্যায়ৰ শৈক্ষিক প্ৰতিষ্ঠান নাই।
- গাঁওখনৰ সকলো লোকেই অন্যান্য পিছপৰা শ্ৰেণীৰ।
- ই ডি চি এলেকাটোত বিদ্যুৎ যোগান ব্যৱস্থা আছে যদিও সঘন বিদ্যুৎ যোগান ব্যাহত হোৱা সমস্যাটো অন্যতম প্ৰধান সমস্যা।
- গাঁওবাসীয়ে ৰন্ধন কাৰ্যৰ বাবে বনাঞ্চলৰ কাঠ খৰিৰ ওপৰত নিৰ্ভৰশীল। কেৱল নগণ্যসংখ্যক পৰিয়ালৰহে এল পি জি কানেকচন আছে।
- সকলো প্ৰয়োজনীয় গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠান, যেনে— হাইস্কুল, ডাকঘৰ, আৰক্ষী থানা, বেংক আদি গাঁওখনৰ পৰা যথেষ্ট দূৰৈত অৱস্থিত।
- ই ডি চি এলেকাৰ গাঁওবাসীয়ে পশু খাদ্যৰ বাবে শস্যৰ অৱশিষ্ট, ৰন্ধন সামগ্ৰীৰ অৱশিষ্ট আৰু ঘাঁহ আদিৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰশীল।
- অঞ্চলটোৰ কৃষি, পশুধন আদি বনৰীয়া জন্তুৱে আংশিকভাৱে বিনষ্ট কৰে। অঞ্চলটোৰ নিকটৱৰ্তী ৰাষ্ট্ৰীয় উদ্যানৰ পৰা বনৰীয়া জন্তু ওলাই আহি ধ্বংস কাৰ্যত লিপ্ত হয়। কিয়নো এলেকাটোত সামাজিক সুৰক্ষা বেহুৰ ব্যৱস্থা নাই।
- ই ডি চি এলেকাটোত কোনো ধৰণৰ বজাৰ ব্যৱস্থা নাই। ইয়াৰ জনসাধাৰণে সাপ্তাহিক বজাৰৰ বাবে ২.৩ কিলোমিটাৰ দূৰৈত অৱস্থিত গামানিলৈ যাবলগীয়া হয়।

## ৩.২ সম্পত্তিৰ শ্ৰেণীবদ্ধকৰণ

সম্পত্তিৰ শ্ৰেণীবদ্ধকৰণ বা আৱাসী লোকৰ অৰ্থনৈতিক অৱস্থাৰ বিষয়টোৱে এলেকাটোৰ জনসাধাৰণৰ অৰ্থনৈতিক অৱস্থাটোৰ পৰ্যালোচনা কৰাৰ লগতে চিহ্নিতও কৰিছে। সমীক্ষকসকলক এইক্ষেত্ৰত প্ৰকল্পৰ পৰা লাভান্বিত হ'ব পৰা ব্যৱস্থাৰে আৰ্থ-সামাজিক স্থিতিৰ ওপৰত সন্তুষ্টি প্ৰদান কৰাৰ লগতে স্থানীয় লোকসকলৰ এই সম্পৰ্কীয় ধাৰণা আৰু তেওঁলোকক ইংগিত প্ৰদানত সহায় কৰিছে।


তলত উল্লেখ কৰা বৈশিষ্ট্যসমূহৰ ওপৰত ভিত্তি কৰি সম্পত্তিৰ শ্ৰেণীবদ্ধকৰণ প্ৰক্ৰিয়া চলোৱা হয়।

(ক) ভূমিৰ স্বত্ব

(খ) বৃত্তি

গাঁওখনৰ ৮২ শতাংশ লোকেই দুখীয়া শ্ৰেণীৰ আৰু প্ৰায় ১১ শতাংশ লোকহে মধ্যম শ্ৰেণীৰ। দুখীয়া লোকসকলে দিন হাজিৰা কৰি জীৱন নিৰ্বাহ কৰে। একেদৰে কেতিয়াবা তেওঁলোকে নিজৰ মাটিডৰা আনক আধি হিচাপে চহাব দিয়ে। এই পৰিয়ালসমূহৰো কৃষিভূমি আছে।

তালিকা ৩.১ ঃ সম্পদৰ শ্ৰেণীবদ্ধকৰণ




## ৩.৩ ঘটনাপ্ৰবাহৰ পৰ্যালোচনা

এলেকাটোত বিগত সময়ছোৱাত ঘটি যোৱা গুৰুত্বপূৰ্ণ তথা ঐতিহাসিক ঘটনা সন্দৰ্ভত সমীক্ষকৰ দলে ঘটনাপ্ৰবাহসমূহৰ ওপৰত এক পৰ্যালোচনা চলায়। তেওঁলোকে গাঁৱৰ গাঁওবুঢ়া, বয়োজ্যেষ্ঠ নাগৰিক তথা ডেকাচামৰ সৈতে সংঘটিত ঘটনাসমূহৰ ওপৰত আলোচনা কৰে কেনেদৰে তেওঁলোকে সেই পৰিস্থিতিসমূহৰ সন্মুখীন হৈছিল তথা গাঁওখনৰ উন্নয়নত অগ্ৰসৰ হৈছিল ইত্যাদি সম্পৰ্কত। সেই আলোচনাৰ ভিত্তিত উল্লেখিত ঘটনাসমূহৰ তালিকা তলত দাঙি ধৰা হ'ল—

**তালিকা ৩.৩**— ঘটনাপ্ৰবাহৰ পৰ্যালোচনা

| বছৰ | ঘটনা | ধৰণ |
|---|---|---|
| ১৯৬০ | ই ডি চি এলেকাত নামঘৰ স্থাপন | নিৰ্মাণ |
| ২০১৩ | জীয়াভৰলী নদীৰ বাঢ়নী পানীৰ ফলত সৃষ্টি হোৱা বানপানীয়ে ব্যাপক হাৰত খেতি পথাৰৰ ক্ষতিসাধন কৰে। | ধ্বংসলীলা |
| ২০১২ আৰু ২০১৫ | ২০১২ চনত বনৰীয়া হাতীয়ে এজন লোকক হত্যা কৰে আৰু ২০১৫ চনত হাতীৰ উপদ্ৰৱত এটি দুমহীয়া শিশুসহ শিশুটিৰ মাতৃ নিহত হয়। | ধ্বংসলীলা |

## ৩.৪ বতৰভিত্তিক জীৱিকাৰ মানচিত্ৰ


স্থানীয় লোকসকলে প্ৰকৃতিক পৰিৱেশ আৰু বতৰৰ ভিত্তিত পৰম্পৰাগতভাৱে চলাই অহা জীৱিকা-জীৱন ধাৰণ ব্যৱস্থাটোৱে জনসমূদায়টোত চলি অহা পৰম্পৰা আৰু নিৰ্দিষ্ট সময়ৰ স্পৰ্শকাতৰ স্থিতিসমূহৰ ওপৰত তথ্য আহৰণৰ অন্যতম আহিলা। এই সন্দৰ্ভত চলোৱা আলোচনাত তথ্যৰ সত্যতা নিৰূপণৰ বাবে গাঁওবাসীৰ পৰম্পৰাগত কেলেণ্ডাৰ ব্যৱহাৰ কৰা হয়। এই কেলেণ্ডাৰসমূহ প্ৰস্তুত কৰোঁতে অগ্ৰাধিকাৰ ভিত্তিত শিল, বীজ আদিৰ ব্যৱহাৰেৰে মানচিত্ৰত চিহ্নিত কৰা হয়।

আনহাতে, বতৰৰ কাম-কাজ আদি বুজাবৰ বাবে সাধাৰণ ৰেখাচিত্ৰও প্ৰস্তুত কৰিব পৰা যায়। বছৰটোৰ প্ৰতিটো

বতৰৰ সামগ্ৰিক কৰ্ম আঁচনি ইয়াত দেখুৱাব পৰা যায়। বতৰৰ বিভিন্ন স্থিতি, যেনে— বৰষুণ, শস্যৰ পৰিক্ৰমা, শ্ৰমিকৰ চাহিদা, মজুৰিপ্ৰাপ্ত শ্ৰমিকৰ অৱস্থিতি, প্ৰব্ৰজন, মানুহৰ ৰোগ, ব্যয়ৰ পৰিমাণ আদিৰ স্থিতিও ৰেখাচিত্ৰত দেখুৱাব পৰি। লগতে গুৰুত্বপূৰ্ণ সময়, যেনে— উৎসৱ-পাৰ্বণ আদিও ৰেখাংকনেৰে বুজাব পৰি।

বতৰভিত্তিক মানচিত্ৰই প্ৰকৃততে বিভিন্ন শস্যৰ খেতিৰ বিৱৰণ দাঙি ধৰে। আমি এইক্ষেত্ৰত ধানখেতি আৰু ইয়াৰ বীজ সিঁচা, শস্য সামৰা আৰু শস্য চপোৱা আদি বিভিন্ন তথ্যক সামৰি লৈছোঁ। দেখা গৈছে যে গাঁওখনত মূল কৃষিভিত্তিক খেতিৰ ভিতৰত শালিধান, সৰিয়হ, মৰাপাট, তামোল, আদা আদিৰ খেতিয়ে অন্যতম। ই ডি চি এলেকাত জীৱিকাৰ ব্যৱস্থাসমূহৰ ভিতৰত পশু পালন (গাহৰি আৰু হাঁহ-কুকুৰা), দোকান, বয়ন শিল্প, দৈনিক মজুৰি, মিস্ত্ৰী, কাপোৰ চিলাই আদি অন্যতম যদিও ই বতৰভিত্তিক নহয়।

**তালিকা ৩.২**— তৰাজন ই ডি চিৰ বতৰভিত্তিক কৰ্মৰ মানচিত্ৰ




তালিকা ৩.৪— বতৰভিত্তিক খেতি


| কৃষিজাত শস্য | বীজ/বৃক্ষৰোপণ | শস্য উঠোৱা | শস্য চপোৱা |
|---|---|---|---|
| ধান খেতি | মে’-জুলাই | — | অক্টোবৰ-ডিচেম্বৰ |
| তামোল | — | ফেব্ৰুৱাৰী-মে’ | — |
| ফলমূল (আনাৰস, আম) | জুলাই-আগষ্ট | জানুৱাৰী-জুন | ছেপ্টেম্বৰ-ডিচেম্বৰ |
| পাচলি (কবি, বেঙেনা, বিলাহী ইত্যাদি) | নৱেম্বৰ-ডিচেম্বৰ | — | ফেব্ৰুৱাৰী-মে’ |

**উৎস ঃ** পি আৰ এ অনুশীলন

## ৩.৫ ভেন চিত্ৰ



## ৩.৬ চপাটি চিত্র



Chapatti Diagram
Railway Station
Primary Health Centre
Gram Panchayat Office
Revenue Office
Post Office
TORAJAN EDC
Police Station
Bank
Bus Stand
District Headquarter
2.3 Km
10 Km
40 Km
Miss Juli DAS

## অগ্ৰাধিকাৰভিত্তিক তালিকা ঃ ই পি এ

| | | Road | Drinking water | Electricity | Hospital | veterinary | Community hall | irrigation | sanitation | Home Stay | Solar Fencing | Handloom | Marks scoring | Position |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | | A | B | C | D | E | F | G | H | I | J | K | | |
| Road | A | x | B | A | A | A | F | G | A | I | J | K | 4 | 6th |
| Drinking water | B | | x | B | B | B | F | B | B | I | J | K | 6 | 4th |
| Electricity | C | | | x | D | E | F | G | H | I | J | K | 0 | 9th |
| Hospital | D | | | | x | D | F | D | D | I | J | K | 4 | 6th |
| Veterinary | E | | | | | x | F | G | H | I | J | K | 1 | 9th |
| Community hall | F | | | | | | x | F | F | F | J | K | 8 | 3rd |
| Irrigation | G | | | | | | | x | G | G | J | K | 5 | 5th |
| Sanitation | H | | | | | | | | x | I | J | K | 2 | 7th |
| Home Stay | I | | | | | | | | | x | J | K | 6 | 4th |
| Solar Fencing | J | | | | | | | | | | x | K | 9 | 2nd |
| Handloom | K | | | | | | | | | | | x | 10 | 1st |

MISS JUHU DAS

Divisional Forest Officer
Western Assam Wildlife Division
Dolabari, Tezpur-784021, Assam

# জীৱিকাৰ সুযোগ বিশ্লেষণৰ অগ্ৰাধিকাৰ তালিকা

Livelihood

**Priority Ranking of ~~Entry Point~~ Activity**

| Entry Point Activities | | Agriculture A | Weaving B | Live Stock C | Wage Labour D | Carpentary E | Tailoring F | Horticulture G | Masonary H | Food Processing I | J | K | Marks | Rank |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| Agriculture | A | | A | A | D | A | A | G | A | A | | | 5 | 3rd |
| Weaving | B | | | C | D | B | B | B | B | B | | | 5 | 2nd |
| Livestock | C | | | | C | C | C | C | C | C | | | 7 | 1st |
| Wage Labour | D | | | | | D | D | D | D | D | | | 7 | 1st |
| Carpentary | E | | | | | | E | G | E | E | | | 3 | 4th |
| Tailoring | F | | | | | | | G | H | F | | | 1 | 6th |
| Horticulture | G | | | | | | | | G | H | | | 4 | 3rd |
| Masonary | H | | | | | | | | | I | | | 2 | 5th |
| Food Processing. | I | | | | | | | | | | | | 1 | 6th |
| | J | | | | | | | | | | | | | |
| | K | | | | | | | | | | | | | |

**Signatures:** Miss Juhu DAS [illegible]

## আলোকচিত্ৰ





# অনুসূচী-৫

## ই ডি চিৰ কাৰ্যবাহী সদস্যৰ তালিকা

| ক্ৰমিক নং | নাম | পদবী |
|---|---|---|
| ১ | শ্যাম তামুলী | সভাপতি |
| ২ | গুণধৰ দাস | উপ-সভাপতি |
| ৩ | দিলীপ কুমাৰ দাস | সদস্য সচিব |
| ৪ | গকুল বৰা | কোষাধ্যক্ষ |
| ৫ | মুকুট শইকীয়া | সদস্য |
| ৬ | দুলাল ৰয় | সদস্য |
| ৭ | অৰুণ কোচ | সদস্য |
| ৮ | মুহিধৰ ভূঞা | সদস্য |
| ৯ | অঞ্জন মেধি | সদস্য |
| ১০ | ৰূপালী দাস | সদস্য |
| ১১ | ঘনকান্তি বৰা | সদস্য |
| ১২ | শেৱালি ভূঞা | সদস্য |

## অংশগ্ৰহণকাৰীৰ তালিকা (বয়ন প্ৰশিক্ষণ)

### List of Participants

| Sl. No. | Name of Participant | Sex | Age | Qualification |
|---|---|---|---|---|
| 1. | Miss Kabita Roy | F | 33 | |
| 2. | Pritima Koch | F | 28 | |
| 3. | Mariami Borah | F | 29 | |
| 4. | Maya Koch | F | 28 | |
| 5. | Chenimai Pahadi Das | F | 27 | |
| 6 | Mridula Das | F | 40 | |
| 7 | Malaya Bhuyan | F | 25 | |
| 8 | Monme Kataki | F | 30 | |
| 9 | Tarumoni Borah Sut | F | 18 | |
| 10 | Manomi Kataki | F | 28 | |
| 11 | Punoswari Das | F | 46 | |
| 12 | Binu Tamuli | F | 33 | |
| 13 | Minu Tamuli | F | 30 | |
| 14 | Rumi Sut | F | 24 | |
| 15 | Jayanti Das | F | 31 | |
| 16 | Anadoi Das | F | 45 | |
| 17 | Ranjita Das Borah | F | 23 | |
| 18 | Rupali Das | F | 30 | |
| 19 | Kanti Borah | F | 35 | |
| 20 | Rukmini Das | F | 29 | |
| 21 | Jogeswari Koch | F | 30 | |
| 22 | Mehali Saikia | F | 33 | |
| 23 | Pali Borah | F | 26 | |
| 24 | Anamika Bora | F | 32 | |
| 25 | Maina Bhuyan | F | 26 | |
| 26 | Sheuali Bhuyan | F | 23 | |
| 27 | Bhagya Koch | F | 32 | |
| 28 | Hemlata Newar | F | 29. | |
| 29 | Nalini Saikia | F | 34 | |
| 30 | Diplimani Tamuli | F | 28 | |
| 31 | Bulu ~~Das~~ Bora | F | 38 | |
| 32 | Barsha Das | F | 30 | |
| 33 | Pallabi Das | F | 25 | |
| 34 | Pushpanjali Bhuyan | F | 23 | |
| 35 | Rubi Das | F | 28 | |
| 36 | Ranu Sut | F | 20 | |

# অনুসূচী-৬ (ৰেকৰ্ড-১)

## তালিকা- ১ ঃ গাঁৱৰ প্ৰাথমিক তথ্য

তালিকা নং ১ ঃ ই ডি চিৰ প্ৰাথমিক তথ্য

| ই ডি চিৰ নাম | তৰাজান |
|---|---|
| প্ৰতিষ্ঠা দিৱস | ২০১৬ |
| কাৰ্যবাহী সদস্যৰ সংখ্যা | ১৩ |
| সভাপতিৰ নাম | শ্যাম তামুলী |
| সদস্য সচিবৰ নাম | — |
| ভি ডি এফত জমা ধন | নাই |
| অংশগ্ৰহণ মাচুল প্ৰতি পৰিয়াল/ব্যক্তি | নাই |
| সামাজিক বেৰৰ ব্যৱহাৰ | নাই |
| বিশেষ প্ৰাপ্তিৰ বাবে মন্তব্য | — |
| আৰ এফ অ'ৰ দ্বাৰা সফলতাৰ মাপ (%) | — |

## তালিকা- ২ ঃ গাঁৱৰ জনসংখ্যাৰ তথ্য

তালিকা নং ২ ঃ প্ৰকল্প এলেকাত জনগাঁথনিৰ বিন্যাস

| জনসংখ্যা | ১৪ বছৰৰ তলৰ | ১৫-৩০ৰ মাজত | ৩১-৪৫ৰ মাজত | ৪৬-৬০ৰ মাজত | ৬০ৰ উৰ্দ্ধত | মুঠ |
|---|---|---|---|---|---|---|
| পুৰুষ | ৪৫ | ২৬ | ৩১ | ৩১ | ৩৮ | ১৭১ |
| মহিলা | ৪০ | ৩১ | ৩৭ | ৩৬ | ৪৮ | ১৯২ |
| মুঠ | ৮৫ | ৫৭ | ৬৮ | ৬৭ | ৮৬ | ৩৬৩ |

**উৎস ঃ** ক্ষেত্ৰ এলেকাৰ সমীক্ষা প্ৰতিবেদন

## তালিকা- ৩ ঃ মাটিৰ স্বত্বাধীকাৰৰ ভিত্তিত কৃষকৰ শ্ৰেণী

তালিকা নং ৩ ঃ গাঁও ভিত্তিত মাটিৰ স্বত্বাধিকাৰৰ ওপৰত নিৰ্ভৰ কৰি কৃষকৰ শ্ৰেণীবদ্ধকৰণ

| ডাঙৰ খেতিয়ক > ১০ বিঘা | ক্ষুদ্ৰ খেতিয়ক ৫ৰ পৰা ১০ বিঘা | মধ্যমীয়া সাধাৰণ খেতিয়ক (প্ৰতি পৰিয়াল) < ৫ বিঘা | ভূমিহাৰা | মুঠ |
|---|---|---|---|---|
| ৫ | ৬৪ | ১০ | ১ | ৮০ |

## তালিকা- ৪ ঃ পশুধনৰ সংখ্যা

তালিকা নং ৪ ঃ ই ডি চি এলেকাত পশুধনৰ সংখ্যা

| গৰু | ছাগলী | হাঁহ-কুকুৰা | মুঠ |
|---|---|---|---|
| ১৮০ | ১৩৪ | ১৪৬০ | ১৭৭৪ |

## তালিকা- ৫ ঃ গাঁৱৰ আন্তঃগাঁথনি

**তালিকা নং ৫ ঃ ই ডি চিৰ আন্তঃগাঁথনি**

| ক্ৰমিক নং | আন্তঃগাঁথনি | স্থান | গাঁৱৰ পৰা দূৰত্ব |
|---|---|---|---|
| ১ | বিদ্যুৎ যোগান | মুঠ ঘৰত ১০০% | সাধাৰণ |
| ২ | ৰন্ধন গেছ | মুঠ ৩ ঘৰত | বেয়া |
| ৩ | যাতায়াত ব্যৱস্থা | আধা পকী পথ | — |
| ৪ | পি এইচ ই | গাঁৱৰ ভিতৰত | ০ কিঃমিঃ |
| ৫ | নিম্ন প্ৰাথমিক বিদ্যালয় | গাঁৱৰ ভিতৰত | ০ কিঃমিঃ |
| ৬ | উচ্চ মাধ্যমিক বিদ্যালয় | হাতীগেট | ২.৩ কিঃমিঃ |
| ৭ | ডাকঘৰ | গামানি | ২৩ কিঃমিঃ |
| ৮ | বেংক | চাৰিদুৱাৰ | ১০ কিঃমিঃ |
| ৯ | অংগনৱাড়ী কেন্দ্ৰ | গাঁৱৰ ভিতৰতে | ০ কিঃমিঃ |
| ১০ | ভি চি ডি চি | গামানি | ২.৩ কিঃমিঃ |
| ১১ | ৰাজহ কাৰ্যালয় | চাৰিদুৱাৰ | ১০ কিঃমিঃ |
| ১২ | আৰক্ষী থানা | চাৰিদুৱাৰ | ১০ কিঃমিঃ |
| ১৩ | বন বিভাগৰ কাৰ্যালয় | নামেৰী | ৫০০ মিঃ |
| ১৪ | বাছৰ ব্যৱস্থা | হাতীগেট | ২.৩ কিঃমিঃ |
| ১৫ | ৰে'ল ষ্টেচন | গামানি | ২.৩ কিঃমিঃ |
| ১৬ | জিলা মুখ্যালয় | তেজপুৰ | ৪০ কিঃমিঃ |

## তালিকা- ৬ ঃ কৃষি শস্য

**তালিকা নং ৬ ঃ কৃষি শস্য**

| বিষয় | বৰষুণৰ দ্বাৰা উৎপাদিত | |
|---|---|---|
| | **শস্যৰ নাম** | **মাটিকালি (হেক্টৰত)** |
| খাৰিফ | শালি ধান, কমলা, আদা, হালধি | ৫৪ |
| ৰবি | সৰিয়হ, আনাৰস | ১১ |
| অন্যান্য | শাক-পাচলি, ফলমূল | ১২ |

## তালিকা- ৭ ঃ তৰাজান ই ডি চিৰ খেতি উৎপাদনৰ বিৰৰণ

তালিকা নং ৭ ঃ তৰাজান ই ডি চিৰ খেতি উৎপাদনৰ বিৰৰণ

| শস্যৰ ধৰণ | মুঠ উৎপাদন (আনুমানিক)/কুইন্টল |
|---|---|
| কৃষি শস্য | ১১২৫ |
| তৈল বীজ | ৪১.২৫ |
| উদ্যান শস্য | ২৫০ |
| ফলমূল | ২১০ |

## তালিকা- ৮ ঃ পশুধনৰ খাদ্য

তালিকা নং— ৮ ঃ ই ডি চিৰ অধীনত উপলব্ধ পশুখাদ্য

| খাদ্যৰ ধৰণ | ১ৰ পৰা ৩ মাহ | ৩ৰ পৰা ৬ মাহ | > ৬ মাহ |
|---|---|---|---|
| শস্যৰ অৱশিষ্ট | | | √ |
| গছৰ পাত | | | √ |
| ঘাঁহ-বন | | | √ |
| সেউজীয়া খাদ্য | | | √ |
| বনাঞ্চলৰ ঘাঁহনি | | | √ |

## তালিকা- ৯ ঃ গাঁৱৰ পৰা বজাৰৰ অৱস্থিতি

তালিকা নং ৯ ঃ গাঁৱৰ পৰা বজাৰৰ অৱস্থিতি/দূৰত্ব

| ক্রয় কৰাৰ বাবে | অৱস্থান | গাঁৱৰ পৰা দূৰত্ব (কিঃমিঃ) |
|---|---|---|
| ৰেচনৰ দোকান | গামানি | ২.৩ কিঃমিঃ |
| সাপ্তাহিক বজাৰ | গামানি | ২.৩ কিঃমিঃ |
| প্ৰধান বজাৰ | চাৰিদুৱাৰ | ১০ কিঃমিঃ |
| টেণ্ডু পট্টা পি এইচ এ ডি | — | — |
| মাছ বজাৰ | গামানি | ২.৩ কিঃমিঃ |

## তালিকা- ১০ ঃ জলসম্পদৰ সুবিধা

তালিকা নং— ১০ত গাঁওখনত উপলব্ধ জলসম্পদৰ সুবিধাৰ বিৱৰণ

| জলসম্পদ | সংখ্যা | পানীৰ উপলব্ধতা | ব্যৱহাৰ |
|---|---|---|---|
| কুঁৱা | ৮০ | বছৰজোৰা | ঘৰুৱা কামতে ব্যৱহাৰ |
| নদী | ১ | বতৰ অনুযায়ী | সকলো ধৰণৰ ব্যৱহাৰত |
| ৰাজহুৱা কুঁৱা | ২ | বছৰজোৰা | ঘৰুৱা কামতে ব্যৱহাৰ |

## তালিকা- ১১ ঃ ইন্ধনৰ ব্যৱহাৰ

তালিকা নং— ১১ত ই ডি চি এলেকাত ব্যৱহৃত ইন্ধনৰ বিৱৰণ

| ইন্ধনৰ ধৰণ | নিৰ্ভৰশীল আৰাসৰ সংখ্যা | নিৰ্ভৰ হ'বলগীয়া মাহৰ সংখ্যা | সংগ্ৰহৰ উৎস (স্থানীয়ভাৱে, গাঁৱত, বনাঞ্চলত, অন্যান্য) | প্ৰধান/বিকল্প উৎস |
|---|---|---|---|---|
| খৰি | ৮০ | ১২ | বনাঞ্চল | প্ৰধান উৎস |
| কেৰাচিন ষ্ট'ভ | প্ৰযোজ্য নহয় | — | — | — |
| গোবৰ গেছ | প্ৰযোজ্য নহয় | — | — | — |
| এল পি জি | ৩ | ১২ | — | বিকল্প ব্যৱহাৰ |
| বৈদ্যুতিক হিটাৰ | প্ৰযোজ্য নহয় | — | — | — |

## ৰেকৰ্ড-২

## জীৱিকাৰ সুযোগ পৰ্যালোচনা

## তালিকা- ১২ কৃষি আৰু উদ্যান শস্য

তালিকা নং— ১২ত কৃষি আৰু উদ্যান ক্ষেত্ৰৰ তথ্যৰ বিৰৰণ

| সীমাবদ্ধতা | কাৰণ | সুযোগ | কাৰ্য আঁচনি |
|---|---|---|---|
| ন্যূনতম উৎপাদন | ◆ পুৰণি প্ৰথামতে খেতি<br>◆ বাৰ্ষিক কেৱল এটা খেতিহে কৰা হয় (শালি ধান)<br>◆ সাৰ, কীটনাশক দ্ৰব্যৰ অতি কম ব্যৱহাৰ<br>◆ জলসিঞ্চনৰ ব্যৱস্থা নাই<br>◆ খেতিৰ বাবে আন্তঃগাঁথনিৰ অভাৱ, উচ্চ প্ৰযুক্তিবিদ্যাসম্পন্ন মেচিন ইত্যাদিৰ ব্যৱহাৰ নাই<br>◆ উচ্চ উৎপাদনসম্পন্ন বীজৰ অভাৱ | ◆ উপযুক্ত আৰু নিয়ন্ত্ৰিত কীটনাশকৰ ব্যৱহাৰ।<br>◆ নতুন তথা আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰ।<br>◆ উপযুক্ত প্ৰশিক্ষণ খেতিয়কসকলক দিয়া। এই প্ৰশিক্ষণে বহুখিনি উৎপাদন আগবঢ়াব।<br>◆ উচ্চ উৎপাদনসম্পন্ন বীজৰ ব্যৱহাৰ | ◆ ট্ৰেক্টৰ চালনৰ প্ৰশিক্ষণ।<br>◆ কৃষি বিকাশৰ বাবে দক্ষতা বৃদ্ধিৰ কাৰ্য আঁচনি।<br>◆ উচ্চ উৎপাদনক্ষম শস্যৰ বাবে সাৰ, কীটনাশক ব্যৱহাৰৰ প্ৰশিক্ষণ। |
| গুদাম আৰু উৎপাদন | ◆ উমৈহতীয়া গুদামৰ অভাৱ।<br>◆ প্ৰকৃত বিজুলী অবিহনে শীত-তাপ নিয়ন্ত্ৰিত ভঁৰাল নাই। | ◆ বিক্ৰী নোহোৱা সামগ্ৰী নিৰ্দিষ্ট সময়ৰ বাবে সংৰক্ষিত কৰাৰ সুবিধা।<br>◆ প্ৰয়োজন অনুসৰি বস্তুসমূহ বিক্ৰী কৰা। | ◆ আধুনিক (পেকেজিং) টোপোলা নিৰ্মাণ।<br>◆ সামগ্ৰীৰ সৰবৰাহ আৰু বিতৰণ। |
| বেচা-কিনা | ◆ উৎপাদিত সামগ্ৰীৰ সৰবৰাহৰ বাবে যাতায়াত ব্যৱস্থাৰ অভাৱ।<br>◆ বজাৰৰ সৈতে প্ৰত্যক্ষ যোগাযোগৰ অভাৱ, মধ্যভোগীৰ ওপৰত নিৰ্ভৰশীল।<br>◆ বজাৰ বিপণনৰ বাবে জ্ঞানৰ অভাৱ, পৰম্পৰাগত বিক্ৰী ব্যৱস্থাৰ ওপৰত নিৰ্ভৰশীল। | ◆ সামগ্ৰী সৰবৰাহৰ সুবিধাজনক যাতায়াত ব্যৱস্থাই ওচৰৰ বজাৰলৈ সামগ্ৰী কঢ়িওৱাত কৃষকক সহায় কৰিব।<br>◆ মধ্যভোগীক আঁতৰ কৰিব পাৰিলে বজাৰত অধিক মূল্য লাভ কৰিব পাৰে।<br>◆ সাম্প্ৰতিক বজাৰৰ পৰিস্থিতি আৰু বজাৰ মূল্যৰ বিষয়ে জ্ঞান আহৰণ কৰিব পাৰে।<br>◆ অসম আৰু পশ্চিমবংগৰ সীমান্তৱৰ্তী এলেকাত যিহেতু ই ডি চি অৱস্থিত, সেয়েহে কৃষকে তেওঁলোকৰ উৎপাদিত সামগ্ৰী অন্য ৰাজ্যতো বিক্ৰী কৰিব পাৰে। একেদৰে চুবুৰীয়া ৰাষ্ট্ৰ ভূটান অঞ্চলটোৰ পৰা অধিক দূৰত্বত নহয়। | ◆ ক্ৰেতা-বিক্ৰেতাৰ মিলন বা বৈঠক। |

# তালিকা- ১৩ পশুধন

তালিকা নং— ১৩ত পশুধন

| সীমাবদ্ধতা | কাৰণ | সুযোগ | কাৰ্য আঁচনি |
|---|---|---|---|
| চৰণীয়া পথাৰৰ অভাৱ | ◆ প্ৰযোজ্য নহয়। | — | — |
| পশু খাদ্যৰ উপলব্ধতা | ◆ দুৰ্বল বিত্তীয় অৱস্থাৰ বাবে বজাৰৰ পৰা পশু খাদ্য ক্ৰয় কৰাত অপাৰগ।<br>◆ গছপাত, বনলতা আৰু শস্যৰ অৱশিষ্ট অংশ কেৱল ৩ৰ পৰা ৬ মাহলৈ উপলব্ধ। গোটেই বছৰজুৰি সেউজীয়া পশুখাদ্য পাবলৈ নাই। | ◆ পশুপালনৰ দ্বাৰা অধিক আয়ৰ সুবিধা।<br>◆ গাঁওবাসীয়ে সহজলভ্যভাৱে পশুখাদ্য লাভ কৰিলে বৈকল্পিক জীৱিকা হিচাপে ল'ব পাৰে। | |
| পশু চিকিৎসাৰ সুবিধা | ◆ কোনো পশু চিকিৎসা কেন্দ্ৰ নাই।<br>◆ পশুপালনৰ বাবে উপযুক্ত জ্ঞানৰ অভাৱ। | ◆ বেমাৰ নিয়ন্ত্ৰণ।<br>◆ গাইগৰু বা পশুধনৰ জীৱনকাল বৃদ্ধি।<br>◆ এনে ব্যৱস্থাই গাঁওবাসীৰ মাজত সজাগতা বৃদ্ধিৰ লগতে পশুপালনত উদগনি যোগাব। | ◆ পশুধন প্ৰতিপালনৰ ক্ষেত্ৰত বিশেষ উন্নতমানৰ সুযোগ বৃদ্ধিৰ বাবে পশুপালন বিভাগৰে যোগাযোগ ব্যৱস্থা নিশ্চিত কৰা। |
| দুগ্ধ উৎপাদন আৰু ডায়েৰী উৎপাদক | ◆ পশুখাদ্যৰ অভাৱ।<br>◆ দুগ্ধ উৎপাদনৰ বাবে পশুপালনৰ বৈজ্ঞানিক জ্ঞানৰ অভাৱ। | ◆ দুগ্ধ উৎপাদনৰ বাবে প্ৰয়োজনীয় প্ৰশিক্ষণ গ্ৰহণে দুগ্ধ উৎপাদনৰ দক্ষতা বৃদ্ধি কৰিব।<br>◆ দুগ্ধ উৎপাদন বৃদ্ধি কৰিবলৈ ওপৰঞ্চি 'মিল্ক বুষ্টাৰ, মিল্ক প্লাছ' আদিৰ দৰে দ্ৰব্যৰ ব্যৱহাৰ। | |
| গাখীৰৰ বজাৰ | ◆ গাখীৰৰ বাবে মুখ্য বজাৰৰ লগত কম সংযোগ<br>◆ গাখীৰৰ পৰা উৎপাদিত বিভিন্ন দ্ৰব্যৰ চাহিদাৰ বিষয়ে সম্যক জ্ঞান। | ◆ এই অঞ্চলত গাখীৰৰ বজাৰত প্ৰচুৰ চাহিদা দেখা যায়। | |

## তালিকা- ১৪ এন ডব্লিউ এফ পি

তালিকা নং— ১৪-ত এন ডব্লিউ এফ পি

| সীমাবদ্ধতা | কাৰণ | সুযোগ | কাৰ্য আঁচনি |
|---|---|---|---|
| সংগ্ৰহৰ পৰিমাণ কম | ◆ প্ৰযোজ্য নহয় | ◆ প্ৰযোজ্য নহয় | ◆ প্ৰযোজ্য নহয় |
| হ্ৰস্বম্যাদী সংগ্ৰহ | ◆ প্ৰযোজ্য নহয় | ◆ প্ৰযোজ্য নহয় | ◆ প্ৰযোজ্য নহয় |
| কম হাৰ | ◆ প্ৰযোজ্য নহয় | ◆ প্ৰযোজ্য নহয় | ◆ প্ৰযোজ্য নহয় |
| অতিৰিক্ত মূল্য সংযোজন | ◆ প্ৰযোজ্য নহয় | ◆ প্ৰযোজ্য নহয় | ◆ প্ৰযোজ্য নহয় |

## তালিকা- ১৫ বিশেষ দক্ষতা

তালিকা নং— ১৫ত হস্ততাঁতৰ বিশেষ দক্ষতাৰ বিৱৰণ

| সীমাবদ্ধতা | কাৰণ | সুযোগ | কাৰ্য আঁচনি |
|---|---|---|---|
| কেঁচা সামগ্ৰীৰ উপলব্ধতা | ◆ নিকটৱৰ্তী স্থানত কেঁচা সামগ্ৰীৰ অভাৱ।<br>◆ বজাৰৰ দূৰত্ব ৭ কিঃমিঃ সংগ্ৰহৰ অভাৱ। | ◆ কেঁচা সামগ্ৰী মজুতকৰণৰ বাবে উমৈহতীয়া স্থানৰ আৱশ্যকতা। | ◆ কেঁচা সামগ্ৰীৰ বাবে মজুতকৰণ বেংক স্থাপন। |
| উৎপাদিত সামগ্ৰীৰ গুণমান | ◆ উচ্চ মানবিশিষ্ট সামগ্ৰীৰ অভাৱ<br>◆ পৰম্পৰাগত কাৰ্যশৈলী যন্ত্ৰপাতিৰ ব্যৱহাৰ। | ◆ নতুন বজাৰ উদ্ভাৱন আৰু দখলৰ বাবে উচ্চ মানবিশিষ্ট সামগ্ৰীৰ বিকাশ। | ◆ আধুনিক যন্ত্ৰপাতিৰ ব্যৱহাৰৰ প্ৰশিক্ষণ।<br>◆ গাঁওবাসীক আধুনিক প্ৰযুক্তি প্ৰদান কৰা। |
| বেচা-কিনাৰ সম্ভাৱনীয়তা | ◆ নিৰ্ধাৰিত মানৰ বজাৰৰ অভাৱ<br>◆ মূল্য নিৰ্ধাৰণৰ নীতিৰ অভাৱ<br>◆ প্ৰতিষ্ঠানগত ক্ৰেতাৰ সৈতে যোগাযোগৰ অভাৱ<br>◆ নতুন সামগ্ৰীৰ বিকাশৰ অভাৱ | ◆ নতুন উৎপাদিত সামগ্ৰীৰ বাবে বজাৰ উদ্ভাৱন। | ◆ প্ৰতিষ্ঠানগত ক্ৰেতাৰ সৈতে অধিক পৰিমাণৰ উৎপাদিত সামগ্ৰী বিক্ৰীৰ ব্যৱস্থা কৰা। |
| ঋণৰ সুবিধা | ◆ বেংক অথবা ডাকঘৰৰ সৈতে যোগাযোগৰ অভাৱ।<br>◆ বেংক অথবা চৰকাৰী আঁচনি সন্দৰ্ভত জ্ঞানৰ অভাৱ। | ◆ চৰকাৰৰ দ্বাৰা বিত্তীয় সহযোগিতা।<br>◆ ঋণৰ বাবে সুবিধা প্ৰদান। | ◆ ক্ষুদ্ৰ বিনিয়োগ, সাময়িক ঋণ, কাৰ্য সম্পাদনৰ বাবে মূলধনৰ ব্যৱস্থা। |
| উৎপাদিত সামগ্ৰীৰ ভিন্ন ৰূপান্তৰণ | ◆ নতুন সামগ্ৰীৰ বিকাশ অথবা সামগ্ৰীৰ ভিন্ন ৰূপান্তৰণৰ অভাৱ।<br>◆ সামগ্ৰীৰ ভিন্ন ৰূপান্তৰণৰ বাবে ধাৰণাৰ অভাৱ। | ◆ চাহিদাৰ ওপৰত ভিত্তি কৰি সামগ্ৰীৰ বিকাশ তথা আধুনিক বজাৰৰ আৱশ্যকতাৰ ভিত্তিত সামগ্ৰীৰ বিকাশ। | ◆ দক্ষতা বিকাশ আৰু নতুন সামগ্ৰীৰ বিকাশৰ বাবে প্ৰশিক্ষণ। |

## তালিকা- ১৬ ঋণৰ সুবিধা

তালিকা নং— ১৬ত ঋণৰ সুবিধা

| সীমাবদ্ধতা | কাৰণ | সুযোগ |
|---|---|---|
| ঋণগ্ৰস্ততা | — | ◆ গাঁৰৰ সমীপৱৰ্তী এলেকাত আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন। |
| সুদৰ হাৰ | ◆ ব্যক্তিগত ঋণদাতাৰ দ্বাৰা অধিক হাৰত সুদ গ্ৰহণ। | ◆ ৰাজসাহায্যযুক্ত ঋণ ব্যৱস্থাপনা |
| ঋণৰ উপলব্ধতা | ◆ ক্ষতি স্বীকাৰৰ আশংকা<br>◆ তথ্য-পাতি সংগ্ৰহৰ বাবে জ্ঞানৰ অভাৱ। | ◆ উদগনিমূলক প্ৰতিষ্ঠানৰ উদ্যোগ |
| বন্ধকীৰ অসুবিধা | ◆ বন্ধকীৰ বাবে সা-সম্পত্তিৰ উপযুক্ত কাগজ-পাতিৰ অভাৱ। | ◆ গাঁও এলেকাত প্ৰয়োজনীয় কাগজ-পাতিৰ বাবে পৰ্যাপ্ত সজাগতা সৃষ্টি। |

বন সংমণ্ডল বিষয়া,
পশ্চিম অসম বন্য প্ৰাণী সংমণ্ডল
তেজপুৰ, দোলাবাৰী